গৱেষণা-বিদ্যায়তনিক- সৃজনীমূলক বাৰ্ষিক পত্ৰিকা

# আধাৰ

সংখ্যা - ৩

সোণাৰি মহাবিদ্যালয়
তেজস্বি নাৱধীতমস্তু
SONARI COLLEGE

অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ,
অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়
৫ আগষ্ট, ২০১৪ (তৃতীয় বছৰ)

SONARI COLLEGE LIBRARY
Estd. 1978

গৱেষণা-বিদ্যায়তনিক-সৃজনীমূলক বাৰ্ষিক পত্ৰিকা

# আধাৰ

সংখ্যা ঃ ৩

অসমীয়াতত্ত্ব অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, অসমীয়া বিভাগ
সোণাৰি মহাবিদ্যালয়
৫ আগষ্ট, ২০১৪ (তৃতীয় বছৰ)

OFFICE OF THE PRINCIPAL
**SONARI COLLEGE**
P.O. Sonari, Dist. Sivasagar (Assam)
PIN- 785690
e-mail: principalsncoll@yahoo.com
web-site:www.thesonaricollege.org
Phone No. 03772 256515 (O)
Fax No. 03772 256515
Estd. 1970

Ref. No.................... Date: ....................

## শুভেচ্ছা বাৰ্তা

০৪-০৮-২০১৪

সোণাৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ 'অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ'ৰ বাৰ্ষিক পত্ৰিকা 'আধাৰ'ৰ তৃতীয় সংখ্যাটো প্ৰকাশ কৰিবলৈ লোৱাত আমি অতিশয় আনন্দিত হৈছো। অসমীয়া বিভাগৰ এই যাত্ৰা অবিৰত যাত্ৰা হোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক জীৱনৰ 'আধাৰ' হোৱাৰ কামনা কৰিছোঁ।

শ্ৰী অৰ্পণ কুমাৰ বৰুৱা
ভাৰপ্ৰাপ্ত অধ্যক্ষ
সোণাৰি মহাবিদ্যালয়, সোণাৰি

---

## 'আধাৰ', ২০১৪ বৰ্ষৰ সম্পাদনা সমিতি

অসমীয়া বিভাগৰ বাৰ্ষিক সভা
উপদেষ্টা ঃ
অধ্যাপিকা ডঃ ৰীতা দত্ত (বিভাগীয় প্ৰধান)
অধ্যাপক ৰঘুনাথ কাগয়ুং
অধ্যাপিকা পদ্মকুমাৰী গগৈ
অধ্যাপিকা বিজয়লক্ষ্মী গগৈ
অধ্যাপিকা ৰেখামণি গগৈ

সম্পাদক ঃ বিদ্যুৎ বিকাশ চেতিয়া
সদস্য ঃ ঋতু ফুকন, সুস্মিতা বৰুৱা

## সূচীপত্ৰ

❖ সম্পাদকীয় — বিদ্যুৎ বিকাশ চেতিয়া

**বিশেষ নিবন্ধ**
❖ অসমীয়া শব্দবোৰ হেৰাই গ'ল নেকি ? — চুমি গগৈ

**চিন্তা কলা**
❖ পোহৰৰ সন্ধানত — বিদ্যুৎ বিকাশ চেতিয়া
❖ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য অৱদান খোলবাদ্য — বন্দিতা গগৈ

**সাময়িক চিন্তা**
❖ অসম আৰু অসমীয়া ভাষাৰ ভৱিষ্যত — মনিদীপা লাহন

**সাংস্কৃতিক চিন্তা**
❖ সপোনৰ বুটাবচা গামোচাখন — ৰিতু ফুকন
❖ লোকবিশ্বাসত তামোল-পান — মৌচুমী দেউঘৰীয়া

**অনুভৱ শিল্প**
❖ বন্ধুত্ব ঃ এক অনুভৱ — লভিতা হাজৰিকা
❖ বিদায় ঃ এটি অনুভৱ — পূৰ্ণিমা দে

**নাৰী বিশেষ**
❖ নাৰীৰ অস্তিত্ব — সোণমণি গপাগ
❖ সাম্প্ৰতিক সমাজত নাৰীৰ স্থান — ৰবী ফুকন

**কথা শিল্প**
❖ হেঁপাহৰ ঘৰ — সুস্মিতা বৰুৱা

**এক মিনিটৰ গল্প**
❖ 'ভুল' — পূৰ্ণিমা দে

**শব্দ শিল্প**
❖ এটা নতুন দিনৰ প্ৰতিশ্ৰুতি / জীৱনৰ সংজ্ঞা / মানৱীয়তাৰ সন্ধানত / হেৰুৱাৰ পিছতো সপোন / কবিতা, বৰষুণ / আলোক সন্ধানী / অতীতক সুৱঁৰি / বন্ধু তোমালৈ বুলি এখন চিঠি / সেউজীয়া সপোন / বসন্তৰ সুবাস / বিদায়ৰ অনুভৱ / আঘোনৰ পথাৰখনি / এটা হেৰুৱা সপোন।

## সম্পাদকীয়

মাতৃভাষা জাতিৰ সিংহদ্বাৰ - শত সহস্ৰজনৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত অসমীয়া ভাষাৰ বিশাল বটবৃক্ষজোপা আজিৰ তাৰিখত জীপাল হৈ আছে। বিভিন্ন সময়ত অহা বিভিন্ন সংঘাতক অসমীয়া ভাষা আৰু সংস্কৃতি অতীতৰ পৰা বৰ্তমানলৈকে বিভিন্ন ধ্বজা বহন কৰি ৰামধেনুৰ সাতোৰঙৰ বৰ্ণালীৰে বিচ্ছুৰিত হৈ আমাক আগুৱাই লৈ গৈছে অনাগত ভৱিষ্যতৰ সেই গোপন সেউজ সপোনবোৰৰ দিশে।

সোণাৰি মহাবিদ্যালয়ৰ 'অসমীয়া বিভাগ অধ্যয়ণ আৰু গৱেষণা কেন্দ্ৰই' ইতিমধ্যে বৌদ্ধিক বিকাশৰ বহু কাৰ্যসুচী ৰূপায়ন কৰি আহিছে। এই মঞ্চই 'আধাৰ' নামৰ বিদ্যাতনিক গৱেষণা বিদ্যাতনিক আৰু সৃজনীমূলক পত্ৰিকা এখনো প্ৰকাশ কৰি আহিছে। 'আধাৰ'ৰ মূল উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশত অৰিহ্ণা যোগোৱা লগতে গৱেষণাৰ এক সুস্থ পৰিৱেশ গঢ়ি তোলা।

এই সংখ্যাৰ 'আধাৰ' ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰবন্ধ, গল্প, কবিতা ইত্যাদিৰে সজাই তুলিছে। আমাৰ এই প্ৰচেষ্ঠা অনাগত দিনলৈও অব্যাহত থাকিব।

বিদ্যুৎ বিকাশ চেতিয়া
সম্পাদক 'আধাৰ'

বিশেষ নিবন্ধ

## অসমীয়া শব্দ বোৰ হেৰাই গ'ল নেকি ?

চুমি গগৈ
স্নাতক চতুৰ্থ ষাণ্মাষিক

আমাৰ মাজত কিছুমান ইংৰাজী শব্দ ইমান হাড়ে-হিমজুৱে সোমাই পৰিছে যে সেইবোৰ বৰ্তমান আমাৰ অসমীয়া শব্দ যেনহে লাগে। পিছে এইবোৰৰ প্ৰচলন এতিয়াৰ বুলিব নোৱাৰি। ইয়াৰ আগতেও কিছুমান কথাত ইংৰাজী শব্দ ব্যৱহাৰ কৰিছিল যদিও দুই এজন শিক্ষিত ব্যক্তিৰ বাহিৰে অন্য লোকসকলে ব্যৱহাৰ কৰা নাছিল। কিন্তু বৰ্তমান সময়ত ইংৰাজী শব্দৰ ইমান প্ৰসাৰ ঘটিছে যে প্ৰাথমিক বিদ্যালয়ৰ পৰাই লৰা-ছোৱালীক ইংৰাজী শব্দ শিকোৱা হয়। বিদ্যালয়ৰ পৰাই ল'ৰা-ছোৱালীক ইংৰাজী শব্দ শিকোৱা হয়। বিদ্যালয়, মহাবিদ্যালয়, অফিচ-কাছাৰী আদিৰ সকলো কাগজ-পত্ৰত কেৱল ইংৰাজী শব্দ ব্যৱহাৰ কৰা দেখা যায়। শিক্ষিত-অশিক্ষিত বুলি নহয় বৰ্তমান সময়ত প্ৰায়ভাগ মানুহেই ইংৰাজী শব্দ ব্যৱহাৰ নকৰাকৈ কথাই নকয়। গালি শপনি পাৰিলেও কিছুমান মানুহে মাজত এটা বিদেশী শব্দ ব্যৱহাৰ কৰিহে গালি পৰা দেখা যায়। আগতেই কৈছোঁ মানুহৰ এই স্বভাৱ এতিয়াৰ নহয়।

আমাৰ মাতৃভাষা হৈছে 'অসমীয়া'। কিন্তু আমি অসমীয়া শব্দ ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে কিছুমান ইংৰাজী শব্দহে ব্যৱহাৰ কৰিবলৈ শিকিছোঁ। আমাৰ সমাজত শুদ্ধ অসমীয়া কথা কোৱা ব্যক্তি কেইজন আছে। প্ৰায়ভাগ মানুহেই দেখুন প্ৰতিটো কথাতেই ইংৰাজী শব্দ ব্যৱহাৰ কৰে। কেৱল অসমীয়া কাকত-আলোচনীতহে শুদ্ধকৈ অসমীয়া ভাষা ব্যৱহাৰ কৰা দেখিবলৈ পোৱা যায়। যেনে- 'নেচনেল গেমছক' দুই এজনৰ বাহিৰে কোনোৱে 'ৰাষ্ট্ৰীয় ক্ৰীড়া' বুলি নকয়। বাতৰি কাকত, আলেচনীতহে 'ৰাষ্ট্ৰীয় ক্ৰীড়া' বলি লিখা দেখা যায়। আগতেই কোৱা হৈছে যে মানুহে ইংৰাজী শব্দ ব্যৱহাৰ নকৰাকৈ কোনো কথা ক'বই নোৱাৰে। আমি অনবৰতে ব্যৱহাৰ কৰি থকা ইংৰাজী শব্দবোৰ হ'ল - হেল্ল, গুড মৰ্নিং, গুড নাইট, স্কুল, কলেজ, টেবুল, ৰোম, থেংক ইউ, মবাইল ইত্যাদি অনেক বিদেশী শব্দ আছে। কিন্তু আমি সেইবোৰ শব্দ ব্যৱাৰ নকৰো বা কৰিবলৈও আমাৰ মন নাযায়। যাৰ ফলস্বৰূপে আমি ইতিমধ্যে অসমীয়া শব্দবোৰ পাহৰিয়েই পেলাইছোঁ। আৰু তাৰ ঠাইত বিদেশী শব্দ ব্যৱহাৰ কৰি আধুনিকতাৰ ৰূপ ধাৰন কৰিছোঁ। হেমচন্দ্ৰ বৰুৱাই কত চেষ্টা আৰু সাধনা কৰি তাহানিতে অসমীয়া শব্দ বিচাৰি 'হেমকোষ' লিখি উলিয়াইছিল কিন্তু কি হ'ব। বৰ্তমান প্ৰজন্মই সেই 'হেমকোষ'ৰ শব্দ ব্যৱহাৰ কৰা দূৰৈৰ কথা সেইখন পঢ়িবলৈও নিবিচাৰে। এনেদৰে এদিন হয়তো অসমীয়া মানুহৰ বাবে নিৰ্দ্দিষ্ট বুলি এটা ভাষা নাইকীয়া হৈ পৰিব। সেয়েহে অসমীয়া শব্দ আমাৰ ভাষা জীয়াই ৰাখিবলৈ হ'লে অসমীয়া শব্দ ব্যৱহাৰ কৰিব লাগিব। নহ'লে আমাৰ অসমীয়া ভাষা এদিন ৰসাতলে যাব।

# পোহৰৰ সন্ধানত

বিদ্যুৎ বিকাশ চেতিয়া

একবিংশ শতিকাৰ তথাকথিত আধুনিক মানৱ আমি। কিন্তু কিমান আধুনিক আৰু শিক্ষিত আমিবোৰ। শৈশৱৰ সোণোৱালী দিনবোৰলৈ যদি উভতি যাওঁ তেন্তে আমি দেখিবলৈ পাওঁ গ্ৰাম্য জীৱনৰ দদাই, খুড়ী, বৰমাহঁতৰ কৰ্মব্যস্ততা। কাউৰীয়ে কা কা নৌ কৰোঁতেই অৰ্থাৎ বোৱাৰী পুৱাতেই দাইদেউ, দেউতাহঁত যায় পথাৰ চহ কৰিবলৈ। আই, খুড়ী, পেহীহঁত ব্যস্ত থাকে তাঁতৰ পাতত। কাৰোৱেই আহৰি নাই জিৰাবলৈ। খুউব ওপৰত যদিওবা তেওঁলোক অনাক্ষৰী তথাপি মাটিৰ মানুহ মূৰৰ ঘাম মাটিত পেলাই অৰ্জা আঘোনৰ সোণগুটি চহাবলৈ ব্যস্ত তেওঁলোক কাৰণ আঘোনত ন-মুঠি লগাব লাগিব ভকত বৈষ্ণৱক দিবলৈ অৰ্থাৎ সমজুৱাকৈ এসাজ খাবলৈ। ঘৰলৈ আলহী আহিলেতো কথাই নাই জুহালৰ কাষত মাটিত কঠ পাৰি বাৰী-পুখুৰীৰ মাছ, ঔটেঙা খাৰলীৰ সতে গড়ালৰ কুকুৰা, হাঁহ খৰিচাৰ সতে কিমানযে আন্তৰিকতা অতিথি আপ্যায়ণৰ বাবে। গধূলি তুলসী তলত বা গোঁসাই ঘৰত আইৰ প্ৰাৰ্থনা ঈশ্বৰৰ ওচৰত গাওঁ, দেশ, ঘৰৰ সকলোৰে মংগলৰ বাবে। ৰহিম, কৰিম, মৌলানা, দাদাইহতকো প্ৰাৰ্থনা আল্লাহ তাল্লাৰ ওচৰত কুশল মংগলৰ বাবে। চামেলী, লক্ষ্মণ, ভোলাহত, আপোনপাহৰা হয় মাদলৰ চেৱত। মাৰ্মিদী, ইবলুংহতেও বাথৌ গোঁসাইৰ ওচৰত প্ৰাৰ্থনা জনায় দেশখন যেন কুশলে যায়।

এইখনেই আমাৰ বৃহত্তৰ অসমীয়া সমাজ জীৱনৰ অতীতৰ স্মৃতি দলিচা। কিন্তু আজি কি হব ধৰিছে, হত্যা, ধৰ্ষণ, লুণ্ঠন, ভ্ৰাতৃঘাতী সংঘৰ্ষ, বিশ্বাস অবিশ্বাসৰ দুমোজা, হেৰাব ধৰিছে মানৱীয়তা, মুঠৰ ওপৰত এক অস্থিৰ পৰিৱেশ। যত নাই সেই সহজ-সৰল অসমীয়া মানুহবোৰৰ হৃদয়ৰ স্পন্দন। সেইবাবেই মই আপোনালোকক সুধিছোঁ কিমান শিক্ষিত আৰু আধুনিক মনৰ আজিৰ তাৰিখত আমিবোৰ। আধুনিক শিক্ষাৰে শিক্ষিত হোৱাৰ পাছতো আমিবোৰ জ্ঞানী হব নোৱাৰিলোঁ কিন্তু শিক্ষিত হ'লো যত নাই দেশ, জাতি, সংস্কৃতিৰ, মাটিৰ প্ৰতি কোনো দায়বদ্ধতা। সকলোৱেই ব্যস্ত, টকা, অট্টালিকা, পজিচন, ষ্টেটাছ আদিৰ পাছত। সমাজৰ বৰমুৰীয়াসকলে যুৱ প্ৰজন্মৰ উশৃংখলতাৰ ওপৰত ডাঙৰ ডাঙৰ ভাষণৰ ফুলজাৰিৰে জাওৰিয়ে জাওৰিয়ে হাত তালি আদায় কৰে। কিন্তু সমাজৰ প্ৰতি থকা দায়বদ্ধতাক পালন নকৰে। ধৰ্মৰ নামত ডাঙৰ ডাঙৰ কথা কয় ধৰ্মাচাৰ্য্যসকলে কিন্তু কৰ্মৰ ফালে ওলোটা, অৰ্থাৎ বিভেদৰ বীজ ৰোপণ কৰাত পাকৈত। ৰাজনৈতিক নেতা, অৰাজনৈতিক নেতা সকলোৰে মাজত সেৱাৰ সলনি শোষণ আৰু বঞ্চণাৰ ভাৱ প্ৰকট। যাৰ বাবে জনপ্ৰতিনিধি হৈও জনতাৰ মাজত বগা গাড়ীত ৰঙা লাইট লগাই আগে-পাছে সহস্ৰ পহৰা। ৰাজহুৱা সমস্যা সমস্যা হৈয়েই থাকি যায়। সংস্কৃতিৰ নামত অপসংস্কৃতিৰ পোহাৰ। নাৰীৰ দেহক পন্যৰ ৰূপত উপস্থাপন। সংবাদ মাধ্যম, প্ৰশাসন, আমোলা, বিষয়া সকলোৱেই আজি ব্যস্ত ঐশ্বৰ্য্যৰ পাহাৰ গঢ়াৰ একপ্ৰকাৰৰ চকুমুদা কুলি। আনফালে জনসাধাৰণ অৰ্থাৎ অসমীয়া মানুহবোৰ যাৰ গাত আছিল বিচক্ষণতা, ধৈৰ্য্য, সাহস, আনৰ কাৰণে কৰিব পৰা ত্যাগ তেওঁলোক আজি ব্যস্ত আঠুৱা, কম্বল, মদৰ বটল, জব কাৰ্ড আদিৰ ৰাজনীতিত যত আছে মাথো হৃদয় ভঙাৰহে গীত। একনেধৰণৰ বিবেকহীন এমখা মানুহৰ বাবেই বিপৰ্যস্ত অসমীয়া মানুহৰ সত্যতা, এচাম মানুহৰ ক্ৰমাৎ চৌদিশে-চৌফালৰ পৰা মৰুময় হব ধৰিছে অসমীয়া মানুহৰ মনবোৰ।

ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা দেৱে কৈছিল কবিতাৰে যদি কওঁ তেন্তে বেদত আলোচিত হোৱা মন্ত্ৰবোৰ তেতিয়াহে সাৰ্থক হব যেতিয়া সবসাধাৰণ অসমীয়া ৰাইজে বুজিব তাৰ মৰ্ম। অৰ্থাৎ সৃষ্টি হৈছে ধ্বংস হবই তাৰ মাজতেই আমি ৰোপন কৰিব লাগিব নতুনৰ বীজ। প্ৰতিজন মানুহেই উপলব্ধি কৰিব লাগিব আমি কোন ... আমি লোৱা শিক্ষাৰ প্ৰয়োগ হব লাগিব যথাযথ। বস্তু বস্তু কৈ ভাগি যোৱা অসমীয়া নামৰ বিভিন্ন জাতি-জনগোষ্ঠীৰে সুশোভিত বটবৃক্ষজোপাক জীপাল কৰিব লাগিব আমাৰ বুকুৰ মৰমে আৰু আন্তৰিকতাৰে সকলো জাতি, জনগোষ্ঠীৰ ভাই-বন্ধুহঁত এক হৈ একোখন চালিৰ তলত, মেজিৰ তলত, ঐনিতম, বিহু, যাগুৰোম্বাৰ তাে তালে নাচি এক হৈ অসমীয়া জাতিটোক ন-ৰূপত গঢ় দিব লাগিব বুলি ভাবি থকাতকৈ হাতে হাত ধৰি আগুৱাই যাও আহক ন-দিগন্তৰ, ন-আলোকৰ সন্ধানী হৈ।

□□□

# মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ অনবদ্য অৱদান খোলবাদ্য

বন্দিতা গগৈ
স্নাতক তৃতীয় ষাণ্মাষিক

১৪৬৮ খ্ৰীষ্টাব্দৰ কোনোবা এটা পবিত্ৰ দিনতে মহাপুৰুষ শ্ৰী মন্ত শংকৰদেৱৰ হাতত এই খোল বাদ্যৰ সৃষ্টি হ'ল। 'খোলবাদ্য' মহাপুৰুষৰ এক অনবদ্য আৰু অনুপম সৃষ্টি। যি বাদ্যৰ এটি মধুৰ স্বৰে ভক্ত সকলৰ হৃদয়ত ভক্তি গংগাৰ অপাৰ ঢৌ তোলে, ভগৱন্তৰ চৰণত ভক্তি বৰ্দ্ধনত অনুৰক্তি বঢ়াই এই লোকবাদ্যই হৈছে খোলবাদ্য। শংকৰদেৱে যেতিয়া বৈকুণ্ঠৰ পট অংকন কৰি 'চিহ্নযাত্ৰা' নাটক ৰচনা কৰিলে আৰু সেই নাটক মঞ্চস্থ কৰিবৰ বাবেই এই খোলবাদ্যৰ সৃষ্টি কৰিলে। খোল তৈয়াৰ কৰিবৰ বাবে দায়িত্ব অৰ্পন কৰা হ'ল কপিলীমুখৰ জগন্নাথ কুমাৰক। শালমৰা গাঁওৰ খুচিয়াৰ মতাই আনি খোল ছিয়ালে খোলৰ মাত উলিয়াবৰ বাবে কৰকৰা ভাত আৰু লোৰ গুৰি মিশ্ৰন কৰি ঘুন তৈয়াৰ কৰিলে। এনেকৈয়ে খোলবাদ্যৰ সৃষ্টি হ'ল। প্ৰথম সৃষ্টিত খোলৰ গাটো (ডিমা বা খোলা) পোৱা মাটিৰে তৈয়াৰ কৰা হৈছিল যদিও পৰৱৰ্তী কালত খোলৰ ডিমা পোৰা মাটিৰ ওপৰিও কঠাল, চাম আদি সুকাঠি গছৰ পৰাও তৈয়াৰ কৰা হবলৈ ধৰিলে। খোল বাদ্যৰ প্ৰধান স্বৰ চাৰিটা। সেই কেইটা হ'ল- খিত, দিত, ধেই, আৰু দাও। অন্যান্য স্বৰ সমূহ এই স্বৰকেইটাৰ অৰ্থ হৈছে-

খিত - পৃথিৱী
দিত - জীৱ
ধেই - ধ্যান কৰা
দাও - তেওঁক (ভগবান)

'খোলবাদ্য' বিভিন্ন ক্ষেত্ৰত ব্যৱহাৰ হোৱা দেখিবলৈ পোৱা যায়। শ্ৰীকৃষ্ণৰ জন্ম তিথিত ধৰ্মীয় উৎসৱত, মৃতকৰ আদ্যশ্ৰাদ্ধত, বৰগীত পৰিবেশনত, বিশিষ্ট ব্যক্তিক আদৰণি জনোৱা আদি বিভিন্ন ক্ষেত্ৰত ব্যৱহাৰ হোৱা দেখা যায়। শংকৰদেৱৰ অনুপম সৃষ্টি খোলবাদ্যক বিশ্ব দৰবাৰলৈ আগুৱাই নিবৰ বাবে ই ৬ জানুৱাৰী ২০১৩ তাৰিখে যোৰহাট তিতাবৰত ১১,০০০ (এঘাৰ হাজাৰ) বায়ন শিল্পী সমবেত হৈ খোল বায়ন প্ৰদৰ্শন কৰিলে, সেই অনুষ্ঠানে খোলবাদ্যক কেৱল ভাৰততে নহয় সমগ্ৰ বিশ্ববাসীক চিনাকী কৰি দিবলৈ সক্ষম হ'ল।

□□□



সাময়িক চিন্তা

# অসম আৰু অসমীয়া ভাষাৰ ভৱিষ্যত

মণিদীপা লাহন
স্নাতক চতুৰ্থ ষাণ্মাষিক

ভাষা হৈছে এটা জাতিৰ পৰিচয়। ভাষাৰ অবিহনে জাতিৰ কেনো অস্তিত্বই নাথাকে। ভাষাই ব্যক্তিক, ব্যক্তিয়ে সমাজক আৰু সমাজে বিশাল মানৱ সভ্যতাক জীয়াই ৰাখিছে। বোৱঁতী নদীয়ে সুঁতি সলোৱাৰ দৰে সময়ৰ পৰিবৰ্তনৰ লগে লগে সমাজ-সংস্কৃতিয়ে আপোন বাট ধৰি পৰিবৰ্তনক আদৰণি জনোৱাটো স্বাভাৱিক। কিন্তু এই পৰিবৰ্তনৰ সুঁতিত উটি ভাঁহি আমি যেন পাহৰি পেলাইছো নিজৰ অস্তিত্ব, ভাষা আৰু সংস্কৃতিক। হেৰুৱাব লগা হৈছে বহুতো ঐতিহ্যক।

বৰ্তমান পৰিস্থিতিলৈ চাই অসমীয়া ভাষাৰ ভৱিষ্যত যে অন্ধকাৰৰ দিশে ধাৱমান হৈছে সেই কথা নিশ্চিত। ইয়াৰ প্ৰধান কাৰণ হৈছে- নৱপ্ৰজন্মৰ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলে সদায় ইংৰাজী মাধ্যমক অগ্ৰাধিকাৰ দি আহিছে। আৰু ইয়াৰ ফলত অসমীয়া ভাষা তথা সাহিত্য চৰ্চা কৰা লোকৰ সংখ্যা কমি আহিব ধৰিছে। ফলস্বৰূপে অসমীয়াৰ ভাষাৰ বিকাশত ই প্ৰভাৱ পেলাইছে।

ইয়াৰ আন এটা কাৰণ হৈছে ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহৰ অসমীয়া ভাষাৰ প্ৰতি অৱহেলা প্ৰকাশ। যাৰ ফলত নৱপ্ৰজন্মই নিজৰ মাতৃভাষাটো শুদ্ধকৈ শিকাৰ পৰা বঞ্চিত হব লগা হৈছে। যুৱ প্ৰজন্মই অসমীয়া ভাষাক এক বিকৃত ৰূপত পৰিণত কৰিছে। আজিৰ যুৱ-সমাজে অসমীয়া ভাষা ব্যৱহাৰ কৰোঁতে কিছুমান বিজতৰীয়া হিন্দী-ইংৰাজী শব্দ ব্যৱহাৰ কৰাৰ ফলত আৰু সংবাদ মাধ্যমসমূহতো কিছু ক্ষেত্ৰত ভাষাটো কোৱা বা লিখাৰ সময়ত অশুদ্ধ শব্দ ব্যৱহাৰ কৰাৰ ফলত অসমীয়া ভাষাৰ প্ৰকৃত ৰূপটো একেবাৰে বিনষ্ট কৰি পেলাইছে।

আজিৰ নৱ-প্ৰজন্মৰ বহুতে অসমীয়া ভাষা ভালকৈ কব বা লিখিব নাজানে। ইয়াৰ উপৰিও বৰ্তমান সময়ত নিখুঁত অসমীয়া ভাষা কোৱা মানুহৰ সংখ্যা ক্ৰমান্বয়ে কমি যাব ধৰিছে আৰু মানুহে অসমীয়া আৰু ইংৰাজী সানমিহলি কৰি কোৱাটো যেন এক পৰম্পৰাতহে পৰিণত হৈছে। অজিকালি ইংৰাজী মাধ্যমত পঢ়াটো এক প্ৰতিযোগিতাৰ দৰে হৈ পৰিছে। এনেদৰে অসমীয়া মানুহে নিজৰ কৃষ্টি-সংস্কৃতি পাহৰি আনক আকোঁৱালি ল'লে হয়তো এদিন অসমৰ মাটিতে বৃহৎ অসমীয়া জাতিয়ে নিজক হেঁৰুৱাব লাগিব।

অসমীয়া ভাষা-সাহিত্যৰ পৃষ্ঠপোষক হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰকুমাৰ আগৰৱালা, আৰু লক্ষ্মীনাথ বেজবৰুৱা আদিয়ে অসমীয়া ভাষা মৃতপ্ৰায় অৱস্থাত সঞ্জিৱনী ঢালি জীয়াই ৰাখিলে যাৰ বাবে হয়তো আজি আমি পৰিচয় দিব পাৰিছোঁ। নিজকে অসমীয়া বুলি। কিন্তু আধুনিকতা দিশে ধাৱমান হৈ নৱ-প্ৰজন্মই পাহৰি পেলাইছে নিজৰ পৰিচয়। বহু সন্মান আৰু আদৰেৰে বুকুৰ উত্তাপ দি জীএৱাই ৰখা অসমীয়া ভাষাটো আজিৰ প্ৰজন্মই যেন হাঁহি হাঁহি ধ্বংসৰ গৰাহলৈ ঠেলি নিছে।

□□□

সাংস্কৃতিক চিন্তা

# সপোনৰ বুটা বছা "গামোছা খন"

শ্ৰী ঋতু ফুকন
স্নাতক ষষ্ঠ ষাণ্মাষিক

অসমীয়া নাৰীৰ হিয়াৰ আমঠু সপোনৰ বুটা বাছি সৰগ সজা গামোছাখন অসমীয়া জন জীৱনৰ অবিচ্ছেদ্য অংগ সৰ্বকালৰ অসমীয়া সাংস্কৃতিৰ এক বিশেষ স্থান অধিকাৰ কৰি থকা এই গামোছাখন যেন সেমীয়া নাৰীৰ হেপাঁহৰ ৰঙচুৱা তৰাসদৃশ সপোনৰ একোখন বিৰাট ফুলাম আকাশ। অসমীয়া নাৰীয়ে অতি চেনেহৰে আপোনজনক যাচিব খোজা উপহাৰৰ ভিতৰত হৃদয়ৰ অনুভূতি খচিত গামোছাখন যঁচাৰ দৰে মূল্যবান উপহাৰ যেন আন একো নাই। এই গামোছাখনৰ প্ৰতিটো ভাঁজতে অন্তৰ্নিহিত হৈ থাকে অসমীয়া নাৰীৰ অফুৰন্ত মৰম-ভালপোৱা। অসমীয়া শিপিনীৰ চেনেহৰ ৰঙা আঁছুৰ গামোচাখন হৈছে অসমীয়া জাতিৰ সত্তাৰ প্ৰতীক। তদুপৰি অসমীয়া লোক সাহিত্যত বস্ত্ৰ বুৰঞ্জী আৰু বস্ত্ৰ শিল্পৰ এক সুকীয়া আসন বিদ্যমান, এই আসন খনকেই আকৌ অসমীয়া নাৰীৰ হেপাহঁৰ গামোচাখনি যেন অসমীয়া জাতিটোৰ পৰিচয়ৰ সূচক। এই গামোচাখনিৰ আমাৰ অসমীয়া জাতিৰ নিজস্ব আংগীক এই বস্ত্ৰখন আমাৰ সমাজত সম্ভাষণ সূচক, সন্মান সূচক আৰু



প্ৰেম ভালপোৱা পৰিচায়ক।

কামৰূপ নৃ-পতি ধৃতৰাষ্ট্ৰৰ বন্ধুবীৰ ভগদত্তই অসম গৌৰৱ পাট সূতাৰে তৈয়াৰী গামোচা সদৃশ বান্ধনী বস্ত্ৰখন ব্যৱহাৰ কৰা সেই ক্ষণৰ পৰাই আজিও ব্যৱহাৰ এই গামোচাখন অসমীয়া সভাজৰ বস্ত্ৰ ইতিহাসৰ এক গৌৰৱোজ্বল অধ্যায়। বিভিন্ন ধৰ্মীয় অনুষ্ঠানলৈ বস্ত্ৰ হিচাপে অভিহিত কৰি বুঢ়া-ডেকা, সকলে ভাওনা-সবাহ, নামঘৰ, গোসাঁই ঘৰলৈ যাওতে ডিঙিত এই গামোচাখন আঁৰি সন্মানৰ উচ্চ শিখৰলৈ লৈ আহিছে।

অসমীয়া শিপিনিৰ হিয়াৰ আমঠু, অসমীয়া জাতিৰ বাপতি সাহোন এই গামোচাখন ব্যৱহাৰিক আৰু বাহ্যিক দিশৰ পৰা-

ক) ফুলাম গামোচা বা বিহুৱা গামোচা।
খ) আনাকটা গামোচা।
গ) গোসাঁই গামোচা।
ঘ) দৰাবৰণ গামোচা।
ঙ) তেলচ বা বৰ গামোচা।
চ) তিয়নি গাগোচা।
ছ) উকা গামোচা

**ক) ফুলাম গামোচা ঃ-** অসমীয়া সমাজত সবাতোকৈ ব্যৱহৃত হোৱা এই গামোচাখন আদৰ আৰু সন্মানৰ প্ৰতীক এই ফুলাম গামোচাখনেৰে যেতিয়া কোনো লোকক সম্ভাষণ জনাবলৈ ধৰে তেতিয়া এই অভিনৱ মুহুত্বটো হৈ পৰে গোটেই জাতিটোৰ বাবেই এক অপূৰ্ব দৃশ্য। ডিঙিটো অৱনমিত কৰি সম্ভাষণ গ্ৰহণ কৰা এই এহাতি চানেকিৰ ভমকা ফুলীয়া গামোচা অসমীয়া গাভৰুৱে সাচি থয় প্ৰিয়জনৰ বাবে
যাৰ দীঘ বানিক খচিত হৈ থাকে গাভৰু শিপিনীৰ মৰম আৰু চেনেহ। প্ৰিয়জনক প্ৰেম নিবেদনৰ বাবে গাওঁৰ গাভৰুহঁতে হাচঁতিয়া গামোচাখন দুহাতত লৈ অতি আগ্ৰহৰে ৰৈ থাকে পদুলি মুখত, নৈৰ ঘাটত আৰু বিহু তলীত। কেৱল সম্ভাষণ আৰু প্ৰেম নিবেদনতেই সীমাবদ্ধ নহয়। এই দুই-আশী মিহি সুতাত ৰঙা ৰঙৰ চানেকি সম্বলিত গামোচাখনি। বসন্তকাল ৰঙচুৱা হোৱাৰ বাবে ৰঙা ৰঙেই অসমীয়াৰ বেছিকৈ প্ৰিয় হৈ পৰে আৰু সেয়েহে হয়তো অসমীয়া শিপিনীয়ে গড়, মৰা চৰাই, ৰঙীন পখিলা, জাকৈয়া ছোৱালী বিহুৱা ডেকাৰ ওপৰিও আদি ওপৰি প্ৰকৃতিৰ পৰিবেশ পৰিস্ফুত হোৱা গছত পৰি থকা চৰাই, পদুম ফুলত পৰি থকা পখিলা, মূৰত লোৱা জাপি, ডিঙিত পিন্ধা ঢোলপিৰি, জোনবিৰি আদি নানাধৰণৰ চানেকিৰে এই গামোচাখনি অতি সুন্দৰ কৰি তোলে।

**খ) আনাকটা গামোচা ঃ-** এবাটিত দীঘল সূতা নকটাকৈ মাত্ৰ এখন গামোচাহে

বোৱাৰ বাবে এই গামোচাখনক আনাকটা গামোচা বুলি কোৱা হয়। পৰম্পৰাগত নীতিমতে ৰাতিপুৱাৰ পৰা পুৰোহিতে লগত ধৰ্মীয় কাম-কাজ কৰোতে এই গামোচাখন গাত লৈ থাকে। এই গামোচাখন দুয়োটা আচলৰ দীঘল সূতাবোৰ আঠ-দহ ডাল মান লগ লগাই দহি পকাই গুঠি লোৱা হয়। এই গামোচাখন দীঘ ডেৰ মিটাৰৰ পৰা দুই মিটাৰ আৰু বাণি সত্তৰ (৭০) ছেঃ মিঃ থাকে।

**গ) গোসাঁই গামোচা ঃ-** যিখন কাপোৰ নামঘৰ থাপনাত থাপিবলৈ বোৱা হয় সেই কাপোৰখনক গোসাঁই গামোচা বুলি কোৱা হয়। সাধাৰণতে সিংহ এটাই ফেপেৰি পাতি থকা মূহুত্ব পুস্পসজ্জিত ঐৰাৱত বিচৰণ কৰা, দেৱতা আদি দুয়ো মূৰে ধৰ্মীয় চিহ্ন চানেকি ৰ উপৰি গোটেই গাতে বুটা বছা হয়। এনে গামোচা আজি কালি গোটেই গাতে হৰে কৃষ্ণ, ৰাম কৃষ্ণু উঠাই শৰাইৰ চানেকি দি বগা সূতাৰেও বোৱা হয়। এই গামোচাখনিৰ দীঘল ডেৰ মিটাৰ আৰু বহল সত্তৰ (৭০) ছেঃ মিঃ হয়।

**ঘ) দৰাবৰণ গামোচা বা যোৰ গামোচা ঃ-** অতিকৈ গুৰুত্বপূৰ্ণ এই গামোচাখন পৰম্পৰাগত ভাৱে বিয়াৰ দিনাখন কইনাই দৰা বৰণতি দিয়াৰ বাবে এইবিধ গামোচাক দৰাবৰণ গামোচা বা যোৰ গামোচা বুলি কোৱা হয়। এই গামোচাখনিৰ জিলিকনি অতি বেছি হোৱাৰ ইয়াৰ দীঘল $২^{৮০}$ বা $২^{১০০}$ সূতা দি বণিত মাইচেৰে বা আটি ছিল্ক বোৱা হয় আৰু দীঘ বাণিৰ লগত ৰোলেক্স নামৰ সোণালী ৰঙৰ সূতা ব্যৱহাৰ কৰা হয়। এই গামোচাখনক অনন্য কৰি তুলি দেখিবলৈ সোণত সুৱগা চৰোৱাৰ মূলতে ইয়াৰ এটি মুৰত দীঘৰ সূতাৰ মাজত বছা কেৰোটৰ মাজেৰে পকোৱা সূতাৰ ৰচী এডাল পাৰ কৰি গুঠি লোৱাৰ বাবে বিয়াৰ দিনাখন কইনাই দৰাবৰণ পিয়া এই গামোচাখনৰ দুয়োফালে চানেকি দিয়া হয় এটা আজল পুৰুষ আৰু আনটো আচল নাৰী হিচাপে ধৰি যুগ্ম মিলনৰ প্ৰতীকক চিৰস্থায়ী কৰি তুলিবলৈ। কইনাই বয়ন নিপুনতাৰ বহি প্ৰকাশ ঘটা পৰম্পৰাগত ভাৱে দৰাবৰণ দি অহা এই গামোচাখন দুয়ো পাৰৰ চানেকিৰ যোৰ হৈ মিলন ঘটাৰ বাবেই হয়তো উজনি অঞ্চলত এই গামোচাখনিক যোৰ গামোচা বোলা হয়।

**ঙ) তেলচ গামোচা ঃ-** দুটা বা তিনিটা ৰঙৰ সূতা প্ৰয়োগ কৰি একৰ পৰা তিনি ইঞ্চি বৰ্গক্ষেত্ৰৰ চেক দি নানা ৰঙৰ সমাহাৰ তুলি সাধাৰণতে বিবাহযোগ্য ছোৱালীয়ে বোৱা এই গামোচাখন দৰাক কলগছৰ তলত গাত তেল-হালধী সানি গা-ধুওৱাৰ বাবেই ইয়াক তেলচ গামোচা পুলি কোৱা হয়। আঠুৰ তললৈকে পৰা এই গামোচাখনে দীঘল আৰু বহল যথেষ্ঠ বেছি হোৱা বাবে ন বিবাহিতা লৰাই বিয়াৰ কিছুদিনৰ পাছলৈকে এই গামোচা পৰিধান কৰে। এই গামোচাখনত ইমানেই মৰম-চেনেহ অৰ্ন্তনিহিত হৈ থাকে যে কইনাই নিজৰ স্বামীক দিয়াৰ ওপৰিও দাদা, শহুৰ আৰু দেওৰ সকলোকে এই গামোচাখন



মৰমৰ চিন হিচাপে উপহাৰ দিয়ে।

**চ) তিয়নি গামোচা ঃ-** মজলীয়া কেচা সূতাৰে তৈয়াৰ কৰা এই গামোচাখন সাধাৰণতে উকাকে বয় যদিও কিছুমান ৰঙীন সূতাৰে চেক দিও বয়। এই গামোচাখন গা-ধোৱা কাৰণে ইয়াক তিয়নি গামোচা বুলি কোৱা হয়। এই গামোচাখন বেছিকৈ নামনি অসমত পৰিধান কৰিছিল যদিও বৰ্ত্তমান উজনি অসমতো এই গামোচাখন পৰিধান কৰিছে।

**ছ) উকা গামোচা ঃ-** কেচা সূতাৰে বোৱা এই গামোচাখনৰ আচলতে আৰু দুয়ো পাৰিত ৰঙা সূতা ব্যৱহাৰ কৰা হয়। সাধাৰণতে মধ্যমীয়া নম্বৰৰ তাঁত বোৱা গামোচাখন দীঘ-বাণিৰ পৰিমাণ কম হোৱা বাবে কাপোৰখন পাৰল আৰু কোমল হোৱাৰ বাবে ঘৰত নিজেই নতুবা আলহি অতিথিক হাত-মুখ মচিবলৈ ব্যৱহাৰ কৰা হয়। এই গামোচাখন যিমানেই ধোৱা হয় সিমানেই উজ্জল হোৱাৰ লগতে অধিক কোমল আৰু ব্যৱহাৰৰ অধিক উপযোগী হৈ পৰে।

বৃহত্তৰ অসমীয়া জাতিৰ পৰিচয়ৰ বাহক আৰু জাতিটোৰ নিজত্ব আংগিক বস্ত্ৰ হিচাপে পৰিগণিত হোৱা ধৰ্মীয় আৰু সমাজিক অনুকম্পা মূলক আপুৰুগীয়া সম্পদ । এই গামোচাখনিৰ কোনো জনগোষ্ঠীৰ অৱদান সঠিক ভাৱে উলিওৱা হয় যদিও অসমীয়া সংস্কৃতি ইতিহাসৰ পাত লুটিয়ালে অসমত পোন প্ৰথমে আলপাইন সকলে এই গামোচাখন ব্যৱহাৰ কৰা উমান পোৱা যায়।

অসমীয়া সমাজত সামাজিক আৰু ধৰ্মীয় দুয়ো দিশৰ পৰা ব্যৱহাৰৰ অনস্বীকাৰ্য (বিহুত, মৃতকৰ শ্ৰাদ্ধত, বিয়াত, মেল-মিটিঙত, নতুন আলহীক মান ধৰা হয়)। বস্ত্ৰ জগতৰ এই গামোচাকনি অসমীয়া জাতিৰ পৰিচয়য় আৰু জাতিৰ সৰ্বাক আৰ্চী।

❑❑❑

# লোক বিশ্বাসত তামোল পাণ

মৌচুমী দেউঘৰীয়া
অসমীয়া বিভাগ

জাতিৰ লোক-সংস্কৃতিস্বৰূপ লোক বিশ্বাস জনসাধাৰণ সম্পৰ্কীয় বিজ্ঞান নহয়, ই পৰম্পৰাগত ভাৱে চলি অহা লোক বিজ্ঞানহে। মানৱ জাতিয়ে যুগ যুগ ধৰি যি অভিজ্ঞতা লাভ কৰিলে যি কথা শিকিলে, যি সমূহ বিষয় চৰ্চা কৰিলে সেই সকলোৰে সঞ্চয় ভাণ্ডাৰ হ'ল লোক বিশ্বাস।

অসমীয়া সমাজত তামোল-পাণে গুৰুত্বপূণ ভূমিকা গ্ৰহণ কৰি আহিছে। বাৰীত তামোল-পাণ ৰোৱাটো অসমীয়া গাৱঁলীয়া মানুহৰ ধৰা-বন্ধা ৰীতি। অসমীয়া সমাজত তামোল-পাণ সম্পৰ্কীয় এফাকি বচন মন কৰিবলগীয়া। "আগফাল শুৱনি কাকিনী তামোল, পাছফাল শুৱনি পাণ"।

ধৰ্মানুষ্ঠান আৰু সামাজিক উৎসৱত তামোল-পাণে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। লোকবিশ্বাস মতে উৎসৱ-অনুষ্ঠানত অথবা অপায় অমঙ্গলৰ সময়ত গুৰুঘৰলৈ বা নামঘৰলৈ, দেৱতা বা অপদেৱতালৈ গুৱা-পাণ আগবঢ়ালে অপায়-অমঙ্গল দূৰ হয়। তামোলৰ জৰিয়তেই গুৰুৰ আশীৰ্বাদ লাভ কৰা হয় আৰু ৰাজহুৱা দায়-জগৰত পৰিলেও তামোল-নাণৰ দণ্ড এভাগ দি দোষ খণ্ডন কৰিব পাৰি।

তামোল-পাণে ৰোগ-নিৰাময়ৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। কেঁচা তামোলত ঔষধি গুণ থকাৰ বাবে ভাস্কৰ বৰ্মাই হৰ্ষধনলৈ কেঁচা তামোলৰ থোক এটা উপহাৰ দিয়াৰ কথা জানিব পাৰি। অসমীয়া লোকবিশ্বাস অনুসৰি তামোল খালে পেটৰ অসুখ, দাঁতৰ ৰোগ আৰু বিষ ভাল হয়। গৰু মহৰ বেমাৰত তামোলৰ পিক ব্যৱহাৰ কৰা হয়।

তামোল গাঁতত পুতি ভৱিষ্যতলৈ সাঁচি ৰখাৰ নিয়মটোও অসমীয়াৰ নিজা। কিন্তু লাহে লাহে অসমীয়া লোকসংস্কৃতিৰ অবিচ্ছেদ্য তামোল-পাণ ঠাই ভেদে নাইকীয়া হৈ যাবলৈ ধৰিছে। গাৱেঁ ভূয়ে ম'বাইল টাৱাৰবোৰ নিৰ্মাণ, কেঁচাতেই কম দৰত কুমলীয়া তামোলবোৰ ৰং প্ৰস্তুত কৰিবলৈ বিক্ৰী কৰি দিয়া আদি অন্যান্য কাৰণত অসমীয়া লোক সংস্কৃতিৰ ধ্বজ্জাবাহক তামোল-পাণৰ গুৰুত্ব বা প্ৰচলন যথেষ্ট পৰিমাণে কমি গৈছে। সেয়েহে সকলোৱে তামোল-পাণৰ ওপৰত বিৰূপ প্ৰভাৱ পেলোৱা কাৰকবোৰ প্ৰতিহত কৰা উচিত।

❑❑❑





# বন্ধুত্ব........ এক অনুভৱ

লভিতা হাজৰিকা
প্ৰথম যাণ্মাষিক , অসমীয়া বিভাগ

'বন্ধুত্ব' চাক্ষুস দৃষ্টিত এক ক্ষুদ্ৰতম শব্দ। কিন্তু এই ক্ষুদ্ৰতম শব্দটিৰ মাজত লুপ্ত হৈ আছে এক পবিত্ৰ, সুমধুৰ সম্পৰ্কৰে গঢ়িত এক বিশাল পৃথিৱী। এই সুমধুৰ পৃথিৱীখনত যদি খোজ পেলাব বিছৰা হয়, তেনে প্ৰথমেই 'বন্ধুত্ব'ক মাথো এটি শব্দ বুলি নাভাবি এক নিবিড়, সুমধুৰ সম্পৰ্ক বুলি ভাবিব লাগি। আৰু ইয়াক , হৃদয়ংগম কৰিব পাৰিলেহে 'বন্ধুত্ব'ৰ এই বিশাল পৃথিৱীত প্ৰৱেশ কৰিব পাৰিব।

'বন্ধুত্ব'ৰ এই বিশাল পৃথিৱীখনত কাৰোবাৰ লগত বন্ধুত্ব কৰোঁ বুলি বা এই সম্পৰ্ক গঢ় দিও বুলি দিব নোৱাৰি। কাৰোবাৰ বাহ্যিক ৰূপ দেখি বন্ধুত্ব কৰোঁ বুলি ভাবিলেও যদি এজনে আনজনক বুজিবই নোৱাৰে, সুখ-দুখৰ সমভাগী হ'ব নোৱাৰে তেনে সেইয়া প্ৰকৃত বন্ধুত্ব নহব। এজনৰ লগত আনজনৰ মনৰ মিল ঘটে, 'বন্ধুত্ব'ৰ সম্পৰ্ক যদি হৃদয়ংগম কৰিব পাৰে; তেনে এই সম্পৰ্ক অকস্মাতে গঢ় লৈ উঠে।

প্ৰকৃত বন্ধুত্বত কোনো স্বাৰ্থ জড়িত হৈ নাথাকে আৰু নাথাকে খং-ৰাগ, হিংসা, সন্দেহ, বিশ্বাস ঘাট, প্ৰতাৰণা, অসত্যৰ দৰে এই ভয়ানক অপবাদে এই শান্তিপূৰ্ণ সম্পৰ্কত অশান্তিৰ সৃষ্টি কৰি বন্ধুত্বৰ সৰ্ম্পকত কলংক সানিব পাৰে। প্ৰকৃত বন্ধুত্বৰ সম্পৰ্কত থাকে মাথো বিশ্বাস, সত্য, এজনে আনজনক বুজিব পৰা মনোভাৱ, প্ৰতিটো দুখ-সুখতে সমভাগী হ'ব পৰা গুণ, আৰু নিঃস্বাৰ্থ প্ৰেম।

'বন্ধুত্ব' এই সম্পৰ্কটিক লৈ এইয়াই মোৰ ধাৰণা। মোৰ এই ধাৰণা হৈছে মোৰ বৰ্তমান জীৱনলৈকে পোৱা অভিজ্ঞতা। মই মোৰ জীৱনৰ বৰ্তমানলৈকে প্ৰকৃত বন্ধু আৰু মোৰ লগত বিশ্বাসঘাটকতা কৰা বন্ধুও পাইছোঁ। কিন্তু, মোৰ অন্তৰৰ পাতত সেই বন্ধুবৰ্গৰ কোনো স্থান নাই, যিয়ে বন্ধুত্বৰ দৰে পবিত্ৰ সৰ্ম্পকত কলংক সানিব খোজে। মোৰ হৃদয়ত, মোৰ অন্তৰত বন্ধুত্বক মৰ্যাদা দিব জনা, বন্ধুত্বক হৃদয়ংগম কৰিব পৰা বন্ধুৰ স্থান অতি উচচ। মই মোৰ জীৱনৰ পাতনি মেলিছোহে আৰু বহদূৰ আগুৱাব লাগিব। জীৱনৰ বোৱতী নৈখনিৰ এটি পাৰৰ পৰা আনটি পাৰলৈ গতি কৰিবলৈ আৰম্ভণি কৰিছোঁহে। এই যাত্ৰাত মই আৰু বহু বন্ধুক লগ পাম। কিন্তু মই সদায় প্ৰকৃত বন্ধু বিচাৰোঁ। মই মোৰ জীৱনলৈ

সদায় প্ৰকৃত বন্ধুক অহবান জনাওঁ। মই বৰ্তমানলৈকে ‘বন্ধুত্ব’ সম্পৰ্কটিক লৈ এক ক্ষুদ্ৰ ধাৰণাহে মোৰ অন্তৰত যুগুত কৰিব পাৰিছো। এতিয়াও মই বন্ধুত্বৰ একেবাৰে উচ্চ শিখৰলৈ যাব পৰা নাই। মোৰ এই ধাৰণাত যদি কোনোবাই খুত বিচাৰি পায়, তেনে মোক সেই খুত শুধৰাই দি শুদ্ধ ধাৰণাৰে মোক জাগ্ৰত কৰিব বুলি আশা কৰিলোঁ।।

শেষত কবিতাৰ এটি পংক্তিতে মোৰ এই ক্ষুদ্ৰতম অনুভৱৰ একলম সামৰণি মাৰিছোঁ।

“নদীৰ দৰে বৈ যায় সময়
কিন্তু.............
প্ৰকৃত বন্ধুত্ব বোৱতী সুঁতি নহয়
ই উটি নাযায়...............
বৈ যায় চিৰ জীৱনলৈ।”

□□□

# বিদায় এটি অনুভৱ

পূৰ্ণিমা দে
স্নাতক ষষ্ঠ ষাণ্মাষিক

সময় পৰিবৰ্তনশীল। ই পাখি লগা কাড়ৰ দৰে। ২০১১ চনত জুলাই মাহৰ ১৩ তাৰিখে প্ৰথমটো খোজ পেলাইছিলোঁ ঐতিয্যমণ্ডিত শিৱসাগৰ জিলাৰ ভিতৰত অৰ্ন্তগত আগশাৰীৰ মহাবিদ্যালয় তথা জ্ঞানৰ মন্দিৰ সোণাৰি মহাবিদ্যালয়ত। মনত বহু আশা বান্ধি উচ্চ শিক্ষা গ্ৰহণৰ বাবে অহা মহাবিদ্যালয়ত স্নাতক মহলাৰ কলা শাখাত অসমীয়া বিষয়ত অনাৰ্চ লৈ নিজকে মই গৌৰৱ অনুভৱ কৰিছিলোঁ, কলেজীয়া জীৱনৰ সুমধুৰ তিনিটা বছৰ কেনেদৰে পাৰ হৈ গল গমকে নাপালোঁ।

বিদায় মাথো এটা শব্দ নহয় ই যেন বিষাদৰ এটা কৰুণ সুৰ। বিদায়ৰ মুহূৰ্তত বহুতো মধুৰ স্মৃতিয়ে মোক আমনি কৰিছেহি। বিষেশকৈ কলেজ উইক, মহাবিদ্যালয় আদৰণী সভা, নেচনেল চেমিনাৰ, শিক্ষক দিৱস, সৰস্বতী পূজা, গিবনৰ ভ্ৰমন আদি মধুৰ অভিজ্ঞতাবোৰ মোৰ হৃদয়ত চিৰদিনৰ বাবে জীপাল হৈ ৰব।



আমাৰ মহাবিদ্যালয় খনৰ পুথিভঁৰাল, ইনডোৰ ষ্টেডিয়াম, কলেজ কেন্টিন, কমন ৰূম, ফুলনি বাগিছা, ছোৱালী হোষ্টেল আদি সকলোবোৰ আছিল মনোমোহা। শিক্ষক-শিক্ষয়িত্ৰী, অধ্যক্ষ মহোদয় আৰু কৰ্মচাৰী সকলৰ পৰা তথা বন্ধু-বান্ধৱীসকলৰ পৰা যি দিহা পৰামৰ্শ আৰু মৰম-আদৰ পালোঁ সেয়া মোৰ সৰ্বকালৰ স্মৃতি হৈ ৰব। প্ৰাক্তন অধ্যক্ষ তামুলী ছাৰৰ নিয়মানুৱৰ্তিতা আৰু আদৰ্শই মোক ভৱিষৎ জীৱনত আগবাঢ়ি যাবলৈ উৎসাহ দিছে।

মোৰ অতি মৰমৰ তথা জ্ঞানৰ মন্দিৰ সোণাৰি কলেজৰ পৰা কিছুদিন পাছতেই আতঁৰি যাব লাগিব। অতি বিচিত্ৰময় পৰিবেশ আৰু বন্ধু বৰ্গ তথা মোৰ অতি শ্ৰদ্ধাৰ পিতৃ-মাতৃ সম শিক্ষাগুৰু সকলক এৰি অন্য এক নতুন ঠাই আৰু অন্য মুখা পিন্ধা বিচিত্ৰ মানসিকতাৰে পৰিপুষ্ট এখন সমাজ। য'ত মুখামুখি হব লাগিব জীৱনৰ কঠোৰ বাস্তৱতাৰ।

মহাবিদ্যালয়খন যদিও দেখাত এৰি যোৱা অনুভৱ কৰিছোঁ প্ৰকৃততে বাহ্যিক দৃষ্টিৰে আতঁৰাই ৰাখিলেও অন্তৰৰ পৰা আতঁৰ কৰিব নোৱাৰি। বিশেষকৈ মহাবিদ্যালয়খন এৰি যোৱাৰ আগমুহূৰ্তত মোক বিভিন্ন দিহা-পৰামৰ্শ দিয়া শিক্ষাগুৰু সকলক তথা অধ্যয়নৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱা বিভাগীয় প্ৰধান ড° ৰীতা দত্ত বাইদেউ, পদ্মাকুমাৰী বাইদেউ, বিজয়লক্ষ্মী বাইদেউ, ৰেখা বাইদেউ, আমাৰ মৰমৰ ছাৰ তথা কবি ৰূপে খ্যাত ৰঘুনাথ কাগয়ুং ছাৰলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত সোণাৰি মহাবিদ্যালয়ৰ সকলো বন্ধু-বান্ধৱী তথা মৰমৰ ভাইটী-ভন্টী আৰু বিভাগীয় সহপাঠী বিশেষকৈ পূজা, জুৰি আৰু মৰমীয়ে অধ্যয়নৰ ক্ষেত্ৰত যি সহায় কৰিলে তাৰ বাবে আটাইলৈ হৃদয়ৰ এবুকু মৰম সনা আদৰ যাচিলোঁ।

মহাবিদ্যালয়লৈ শ্ৰদ্ধা নিবেদি দীৰ্ঘায়ু তথা উত্তৰোত্তৰ মঙ্গল কামনা কৰিলোঁ।

□□□

**নাৰী বিশেষ**

# নাৰীৰ অস্তিত্ব

শ্ৰীমতী সোণমনি পগাগ
অসমীয়া বিভাগ

নাৰী তেজস্বী, যশস্বী হ'লেই বিক্ষুব্ধ হৈ শত্ৰু হৈ পৰে, এচাম পুৰুষ জাতি। “নাৰীয়ে স্বনাম উত্তম” কথাষাৰক গুৰুত্ব দি নিজৰ নামেৰে নিজৰ পৰিচয় দিব খুজিলেই

আমাৰ তথাকথিত সমাজত কথাটিৰ এটি বিৰূপ প্ৰতিক্ৰিয়া হোৱাটো দেখা যায়। আজিৰ সমাজত নাৰীৰ চৰিত্ৰক আচাৰ-ব্যৱহাৰতকৈ বেছি তেওঁৰ পিন্ধা-উৰুৱাত নাৰীৰ চৰিত্ৰক ৰূপন কৰে। সমাজৰ কিমান বহল হৃদয়ৰ আৰু উন্নত চিন্তাধাৰাৰ মানুহৰ মুখা পিন্ধি আজিও সামৰ্থ্য বা গুণখিনিক সন্মান দিয়াৰ বিপৰীতে নীচ মনৰ, সংকীৰ্ণ বিচাৰ-ধাৰাৰে নাৰীক অপমান কৰে।

অৱশ্যেই নাৰীক মুক্তি বুলি কলে এনে নহয় যে পুৰুষৰ বন্ধনৰ পৰা মুক্ত হৈ সমাজৰ শৃংখলতা ভংগ কৰি খুচিমতে জীৱন-যাপন কৰা নহয়। আজিৰ পৰা কেইবাশ বছৰ আগতে নাৰী বা ছোৱালী সন্তান জন্ম হলে বা ছোৱালী সন্তান বুলি গম পালে গৰ্ভতে শেষ কৰি দিয়া হয়। যদিহে এই ভাৱনা লৈ জয়িাই থকা লোক সকলক তেওঁলোকৰ মাতৃয়ে জন্ম নিদিয়া হলে তেওঁলোকৰ জন্ম বা সৃষ্টি কেনেকৈ হয়। কিন্তু সময়ৰ অগ্ৰগতিৰ লগে লগে সমাজৰ পৰিবৰ্তন হোৱাৰ পাছতো আজিও নাৰীক নিজৰ মৰ্যাদা দিব পৰা নাই সেইয়ে নাৰীৰ কৰুণ আৰ্তনাদ আজিও প্ৰতিখন নিউজ পেপাৰ বা টি.ভি. চেনেলত দেখা যায়।

ভাৰত বৰ্ষত নাৰীৰ পুনৰ জাগৰন হয় ১৯ শতিকাতো নাৰীক মানৱীয় মৰ্যাদা প্ৰদান কৰিবলৈ প্ৰচেষ্ঠা চলোৱা হয়। তেওঁলোকৰ ভিতৰত ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ, ৰাজা ৰামমোহন ৰায়, দুৰ্গাৰায় মেহেন্দজী আৰু বহুতো। হিন্দু ধৰ্মৰ নামত নাৰীৰ ওপৰত ন্যস্ত কৰা বহুতো কঠোৰ তথা নিষ্ঠুৰতাক উৎসাত কৰি নাৰীক পুৰুষৰ সমানে মৰ্যাদা দিয়াৰ চেষ্ঠা অটুট ৰাখিছিল এই সমাজ সংস্কাৰক সকলে।

আজিৰ নাৰীক পুৰুষৰ সমানে মৰ্যাদা দিয়া হৈছে যদিও এতিয়াও এচাম নাৰী পুৰুষৰ বা সমাজৰ মৰ্যাদাৰ পৰা বঞ্চিত হৈ আছে। প্ৰকৃত অৰ্থত নাৰীয়ে দিজৰ মৰ্যদা তেতিয়াহে পাব যেতিয়া সমাজৰ প্ৰতিজন ব্যক্তিয়ে সুদৃঢ় কৰাৰ সংকল্প লব।

প্ৰকৃততে তেজস্বী আৰু যশস্বী নাৰী সমূহৰ বিভিন্ন ক্ষেত্ৰত ভিন্ন জীৱনধাৰাত একো একোটা স্ব-উপাৰ্জিত নিজস্ব পৰিচয় থাকে। নাৰীৰ এই ধৰণৰ বিচাৰ ধাৰাক সমাজৰ অজ্ঞানী পুৰুষে নাৰীৰ এয়া "পুৰুষ বিদ্বেষী" ধ্যান-ধাৰণা বুলি ভুল বুজি নিজৰ অজ্ঞানতাৰ বাবে এনে নাৰীৰ প্ৰতি বিদ্ৰোহী হৈ উঠে। সমাজত আজিও অনেক জ্ঞানী পুৰুষে নাৰীক সন্মানসহ উৎসাহিত কৰাৰ বিপৰীতে কিছুসংখ্যক পুৰুষ বিক্ষোভত ক্ষুব্ধ হৈ নাৰীৰ শত্ৰু হৈ পৰাটো আমাৰ সমাজৰ এটি লাজ লগা সত্যতা।

□□□



# সাম্প্ৰতিক সমাজৰ নাৰীৰ স্থান

শ্ৰীমতী ৰবী ফুকন
চতুৰ্থ ষাণ্মাষিক

ইতিহাসে ঢুকি নোপোৱা কালৰে পৰা বৰ্তমানলৈ নাৰীসকল বিলাসৰ সামগ্ৰী হিচাপে ব্যৱহাৰ হৈ আহিছে। এই কথা সকলোৰে একেমুখে স্বীকাৰ কৰা উচিত। সমাজত নাৰী সদায় অৱহেলিত, নিৰ্যাতিত। সভ্যতা যিমানে উচ্চ শিখৰত আগবাঢ়িছে, শিক্ষা পদ্ধতি লগতে সা-সুবিধাও উন্নত হৈ শিক্ষিত হাৰ বাঢ়িছে যদিও মানুহৰ জ্ঞান; বিচাৰ বুদ্ধি যে কিতাপৰ পাতৰ মাজতে আবদ্ধ হৈ আছে। নহলেনো মানুহৰ বিচাৰ বিবেচনা আৰু চৰিত্ৰ ক্ৰমে অৱনমিত হয় নে? সৃষ্টিৰ গৰাকী মাতৃ জাতিক ক্ষন্তেকীয়া সুখৰ সামগ্ৰী হিচাপে যুগ যুগ ধৰি বজাৰত পণ্য সামগ্ৰীৰ দৰে ব্যৱহাৰ কৰি থাকেনে?

বিশ্ববাসীৰ স্বীকৃতি পোৱা ভাৰতীয় উচ্চস্তৰীয় দৰ্শন আৰু চিন্তাধাৰাৰ ক্ষেত্ৰত ই আচলতে লজ্জাজনক কথা। সময়ৰ গতিধাৰাত আজি পৰিৱেশ প্ৰদূষিত হৈ মানুহৰ চিন্তাধাৰা, ৰুচিবোধ আদিৰ পৰিবৰ্তন হৈ অপসংস্কৃতিৰ গ্ৰাসত পৰি মানুহৰ চৰিত্ৰ স্খলিত হৈছে।

সহজলভ্য ধনৰ আসক্তিয়ে মানুহক পশুৰ শাৰীলৈ নমাইছে, বিকৃত বিলাসিতাৰ কবলত পৰি আজি মানুহে দিক্-বিদিক হেৰুৱাই পেলাইছে। এখন সুস্থ-সমাজৰ গঢ় দিবলৈ নাৰী-পুৰুষ সমানে আগবাঢ়ি আহিব লাগিব। কিন্তু পুৰুষ প্ৰধান সমাজ এখনত নাৰীক সেইখিনি স্বীকৃতি দিব নোখোজে। অতীতৰ পৰ্দা প্ৰথা প্ৰচলনৰ দ্বাৰা নাৰীক আবদ্ধ কৰি ৰাখিছিল। ঘৰৰ আৰ-বেৰৰ মাজত নিজৰ মুখখন নুকুৱাই ৰাখি কথা আৰু কাম কৰিব লাগিছিল। কিন্তু বৰ্তমান অসমত নাৰীসকলে সকলো ক্ষেত্ৰতে পুৰুষৰ সমানে সমতাধিকাৰ পাবৰ বাবে ওলাই আহিছে। সেয়েক প্ৰতি বছৰৰ ৮ মাচ তাৰিখে 'আন্তজাতিক নাৰী দিৱস' হিচাপে পালন কৰা হয়। আন্তজাতিক নাৰী দিৱস হ'ল বিশ্বৰ নিপীড়িত নাৰীসকলৰ বাবে সংগ্ৰামী ঐতিহ্যৰ দিন। নাৰী সমাজৰ বাবে এই দিৱসৰ গুৰুত্ব অপৰিসীম। আন্তজাতিক নাৰী দিৱসৰ লগত নাৰীমুক্তি আন্দোলনৰ আছে ওতপ্ৰোত সম্পৰ্ক।। নাৰী মুক্তিৰ কাৰণে, অধিকাৰৰ কাৰণে দীঘলীয়া সময়ৰ কঠোৰ সংগ্ৰামৰ পাছত নাৰীসকলে স্বাধীনতা, মৰ্যাদা আৰু ভোটধিকাৰ লগতে অন্যান্য অধিকাৰ সমূহ লাভ কৰিবলৈ সক্ষম হৈছিল। ফলস্বৰূপে পূৰ্বৰ তুলনাত আজি নাৰী সমাজত ভালখিনি পৰিৱৰ্ত্তন আহিছে। শিক্ষা-দীক্ষাত বহুখিনি আগবাঢ়ি গৈছে। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি ক্ষেত্ৰবোৰত নাৰীসকল পুৰুষৰ অংশ গ্ৰহণ কৰিবলৈ সুবিধা পাইছে।

□□□

# হেঁপাহৰ ঘৰ

সুস্মিতা বৰুৱা
স্নাতক ষষ্ঠ যাণ্মাষিক, অসমীয়া বিভাগ

আৰে, বৰষুণজাক চোন হঠাৎ ডাঙৰকৈ আহিব ধৰিছে। ইহতঁকেইটা এতিয়াও আহি পোৱাহি নাই। না ফ'ন ৰিছিভ কৰে, না ওলটাই মোলে মোলৈ ফ'ন কৰে। সময়ো চোন বহুত হ'ল। কিয় বাৰু ইহঁতে ইমান দেৰি কৰিছে? কৰবাত কিবা অঘটন..... নাই এনেবোৰ অমংগলীয়া কথা মনলৈ আনিবই নাপাই। কিন্তু মোৰ এনে লাগিছে যেন মোক কোনোবাই চিঞৰি চিঞৰি মাতিছে 'মা'.... 'মা'......। নাই নাই, এইবোৰ আচলতে মোৰ মনৰ ভ্ৰমহে। এনেদৰে চিন্তা কৰি কৰি এবাৰ বাহিৰলৈ ওলাইছে, এবাৰ ভিতৰলৈ সোমাইছে মধুস্মিতা শইকীয়াই। মনত অনেক সংশয়, কাৰণ পুৱাই ডাঙৰ জীয়েকৰ ঘৰলৈ বুলি ওলাই যোৱা তেওঁৰ স্বামী, বৰুণ শইকীয়া, সৰু জীয়েক পুস্কি আৰু একমাত্ৰ পুত্ৰ জিত এতিয়াও ঘৰ আহি পোৱা নাই।

বৰুণ শইকীয়া এজন নামজ্বলা ব্যৱসায়ী। তেওঁ গুৱাহাটীৰ হাতীগাঁওৰ নিবাসী। এগৰাকী সুন্দৰ পত্নী, দুজনী জীয়েক আৰু এজন পুত্ৰৰ সৈতে তেওঁৰ সুখৰ সংসাৰখন আছিল চকুত লগা। ডাঙৰ জীয়েকক বিয়া দিছে নগাঁওলৈ, সৰু জীয়েকে MBBS পঢ়ি আছে আৰু একমাত্ৰ পুত্ৰ জিত মেকানিকেল ইঞ্জিনিয়াৰ। বৰুণ শইকীয়া এজন ফংফঙীয়া ব্যক্তি, সকলোৰে প্ৰিয়পাত্ৰ তেওঁ। মধুস্মিতা শইকীয়াৰো ৰূপৰ তুলনা কৰিব নোৱাৰি। ল'ৰা, ছোৱালীকেইটিৰো স্বভাৱ-চৰিত্ৰ সকলো ফালৰ পৰাই ভাল। ডাঙৰ জীয়েক নগাঁও পায়ো ফোন কৰিছে পালোগৈ বুলি ঘুৰি আহিম কৈ যে এতিয়াও ঘৰ আহি পোৱা নাই সেয়ে মধুস্মিতা বৰ চিন্তাত পৰিছে। বিয়নীয়েকে কোৱাৰ মতে, তিনিমান বজাতে তেওঁলোক ঘৰলৈ বুলি ৰাওনা হৈছিল, ডাঙৰ জীয়েকো লগত ঘৰলৈ আহিছিল। এতিয়া ৰাতি ১২ বাজি গ'ল, কিন্তু ঘৰলৈ অহাৰ কোনো উমঘামেই নাই। হঠাৎ গাড়ীৰ মাত শুনি তাই বাহিৰলৈ ওলাই গৈ দেখে যে এজন আৰক্ষীয়ে তেওঁলোকৰ ঘৰৰ চোতালত ইফাল সিফাল কৰি আছে। সেই সময়তে আৰু এখন গাড়ী আহি ৰ'লহি। মধুস্মিতাৰ বুকুখন ধান বন্ধা দি বান্ধিবলৈ ধৰিলে। তাইৰ বুজিবলৈ বাকী নাথাকিল যে কিবা এটা অঘটন নিশ্চয় ঘটিছে। তাই পুলিচজনৰ ওচৰলৈ গৈ সুধিলে আপোনালোক ইমান ৰাতি? মোৰ স্বামী আৰু ল'ৰা-ছোৱালী কেইটা ক'ত। "কিন্তু পুলিচজনে একো উত্তৰ নিদিলে। মদুস্মিতাই



কলে কিয় মনে মনে আছে, কওক মোক তেওঁলোকৰ কি হ'ল, ক'ত আছে?" এনেতে গাড়ীৰ পৰা এটা এটাকৈ চাৰিটা মৃতদেহ নমাই আনিলে। মধুস্মিতাৰ শৰীৰ থৰহৰি কম্পমান হ'ল আৰু শিল পৰা কপৌৰ দৰে হৈ ৰ'ল। এজন দুজনকৈ বহুখিনি মানুহ গোট খালেহি। সকলোৰে মুখত ইচ আচ, কোনোৱে কান্দিছে, কোনোৱে তেওঁলোকৰ গুণ বখানি দুখ কৰিছে, মধুস্মিতাক কন্দুৱাবৰ বাবে কোনোৱে চেষ্টা কৰিছে, কিন্তু নাই তাই আগৰ দৰে হৈ আছে। বহুত সময় পাছত দুচকুৰ পৰা নিগৰি আহিল দুটোপাল অশ্ৰু। তাৰ পাছত পাগলৰ দৰে হৈ পৰিল তাই। ৰাউছি জুৰি কান্দিব ধৰিলে, বহুত দূৰলৈকে কান্দোনৰ ৰোল শুনা গ'ল। আত্মীয়-কুটুম সকলো আহিল। কিন্তু কোনেও মধুস্মিতাক ধৰি ৰাখিব নোৱাৰা হ'ল। কিন্তু, কেনেকৈ এয়া হ'বলৈ পালে এজন মানুহে আনএজনক সুধিলে। নগাঁওৰ পৰা ঘৰলৈ আহি থাকোতে এজোপা বৰগছত তেওঁলোকৰ গাড়ীখনে খুন্দা মাৰে তৎক্ষনাত তেওঁৰ স্বামী আৰু পুত্ৰৰ মৃত্যু হ'ল গাওঁৰ ৰাইজে এম্বুলেঞ্চ মাতিছিল যদিও এম্বুলেন্স আহি পোৱাৰ আগতে জীয়েক দুজনীৰো মৃত্যু হ'ল। আনজনে কলে বেচেৰী মানুহজনীলৈহে এতিয়া বেয়া লাগিছে। ইমান ৰাংঢালী মানুহজনীক এইটো অৱস্থাত দেখি সঁচাকৈ বৰ বেয়া লাগিছে। ভগৱান কিয় ইমান নিষ্ঠুৰ। একেঘৰৰে চাৰিটাকৈ মানুহক কিয় লৈ যাব লাগে। মধুস্মিতা কান্দি কান্দি অৱশ হৈ পৰিল। কেইগৰাকীমান মহিলাই তাইক ডাঙি নি ভিতৰত শুৱাই দিলেগৈ। ৰাতি পুৱাবলৈ আৰু বেছি সময় নাই। শ্মশানলৈ মৃতদেহকেইটা নিবলৈ মানুহবোৰে যো-জা কৰিছে। এনেতে মধুস্মিতাৰ জোৱায়েকহঁত আহি উপস্থিত হ'লহি। কণমাণি নাতিনীয়েক কুঁহিয়ে যেন সকলো বুজি পাইছে। তাই গোটেইকেইটা মৃতদেৰ মাজৰ পৰা নিজৰ মাকক বিছাৰি উলিয়ালে। লাহেকৈ মাকৰ গাত হাত ফুৰাই তাই ক'লে - "মা তুমি ভগৱানৰ ওচৰলৈ মোক এৰি থৈ কিয় গ'লাগৈ? মা তুমি তাত বেছিদিন নাথাকিবা দেই, সোনকালে আহি দিবা, ৰৈ থাকিম মই তোমাৰ বাবে, কান্দি কান্দি তাই কথাখিনি কৈ গ'ল। মধুস্মিতাৰ স্বামীয়ে কিন্তু কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিলে। এনে লাগিল যেন পত্নী মৰাৰ বাবে তেওঁ আনন্দ হে পাইছে। কণমাণিজনীক কাষলৈ টানি নি মাথো সান্ত্বনা দিলে যে - মা আকৌ ঘূৰি আহিব, তুমি নাকান্দিবা কুঁহি। শ্মশানলৈ লৈ যাবৰ সময়ত কুঁহিয়ে মাক নিনিবা মাক নিনিবা বুলি কৈ কান্দিবলৈ ধৰিলে। মধুস্মিতাক বাহিৰলৈ উলিয়াই আনিলে। এনায়েকক দেখি কুঁহিয়ে বৰ ভয় খালে, কাৰণ এনেকুৱা অৱস্থাত তাই এনায়েকক কোনোদিনে দেখা নাছিল। তাই এনায়েকৰ চকুপানী মচি দি ক'লে - এনাই তুমি দুখ নকৰিবা, মই আছোঁ নহয়, মাঁহত আকৌ আহিব নহয়, মোক মায়ে কৈ থৈ গৈছে সোনকালে আহিব বুলি। নাতিনীয়েকৰ বুজনিয়ে মধুস্মিতাক যেন অলপ সান্ত্বনা পালে।

তাই জোৰকৈ হাৱটি ধৰি কুঁহিক দুগালত চুমা খাই বুকুৰ মাজত সোমোৱাই ল'লে। এনেতে আকাশখনৰ পৰা নামি আহিল এজাক জিপজিপীয়া বৰষুণ।

□□□

**এক মিনিটৰ গল্প**

## "ভুল"

পূৰ্ণিমা দে
স্নাতক ষষ্ঠ ষাণ্মাষিক

ফাগুন মাহৰ মুকলি আকাশৰ তলত বহি পৰীয়ে ৰাহুললৈ ছুৱেটাৰ গুথিছে। আকাশী ৰঙৰ ছুৱেটাৰটোৱে ৰাহুলক বৰ ধুনীয়া দেখিব। মিহি মোছকোছায়ে হাঁহি ভৰা ৰাহুলৰ ৰাহুলৰ মুখখনেৰে ৰাহুল এনেই ধুনীয়া।

ৰাহুলে পৰীক ভালপোৱা আজি দুটা বছৰেই হ'ল। হিয়াৰ সমস্ত মৰম উজাৰি ৰাহুলক ভাল পায় পৰীয়ে? পৰী সোমাই গৈছে ৰাহুলৰ হিয়াৰ গোপন কোঠালৈ। যৌৱনৰ প্ৰাক মুহূৰ্তৰে পৰা দুয়ো দুয়োকে পাবলৈ ব্যাকুল হৈ পৰিছে। দুচকুত ৰামধেনুৰ স্বপ্ন আঁকি জীৱনৰ সুন্দৰতা খিনি উপভোগ কৰিব দুখন হিয়া লগ লাগি।

ৰাহুলৰ প্ৰেমীকা পৰী বৰুৱা। মাক-দেউতাকৰ একমাত্ৰ সন্তান হোৱাৰ বাবে অধিক মৰমৰ মাজত আলফুলে ডাঙৰ হৈছে পৰী। লাগে বুলিলেই যিকোনো বস্তু পাইছিল পৰীয়ে। মৰম আকলুৱা পৰীয়ে আৰু মৰম বিচাৰি পাইছিল ৰাহুলৰ পৰা। ৰাহুলৰ মাজতেই বিচাৰি পাইছিল জীয়াই থকাৰ প্ৰেৰণা, আশা আকাংক্ষাবোৰ।

ঃ হেল্প, ৰাহুল কি খবৰ। এটা সু-খবৰ জনাবৰ বাবে তোমাক অসময়ত আমনি কৰিলোঁ, বেয়া যাতে নোপোৱা। আজি মা আৰু দেউতা আমাৰ গাঁৱত থকা আইতাহঁতৰ ঘৰলৈ যাব। সেয়ে সোণালি সুযোগখিনি নষ্ট কৰাৰ ইচ্ছা মোৰ নাই। তোমাক লগ কৰিম 'বৰুৱা কেফে'ত। প্লিজ আহিবা চাৰি (৪) বজাত। ৰাহুলৰ কথালৈ অপেক্ষা নকৰি ৰিচিভাৰটো ক্ৰেডেলত থৈ পৰী খোৱা টেবুললৈ গ'ল। মাকে ৰান্ধি থোৱা মাছৰ সৈতে ঔটেঙাৰ আঞ্জাৰে বেচ তৃপ্তিৰে পৰীয়ে ভাতখিনি খালে।

ঃ পৰী দেউতাৰ দেখোন ইমান পৰলৈকে অহাই নাই। ঘৰলৈ যোৱা আৰু নহব যেন পাওঁ, এই মানুহজন এনেকুৱাই। কৰবালৈ যাবলৈ ওলালে কামৰ প্ৰকোপটো বেছি



হয়। অফিচ কেৱল অফিচ। ইমান দিনৰ মূৰত কৰবালৈ যাবলৈ ওলালোঁ এনেকুৱা হ'ল - - প্ৰচণ্ড ক্ষোভত কৈ উঠিল মাক লীজা বৰুৱাই।

সুখৰিয়াই, সুখৰিয়াই ৰাহুলে পৰীয়ে ভাল দেখা চেক্ ছাৰ্টটো পিন্ধি ললে। পেটীডাল হাতত লৈ ঘড়ীটোলৈ চকু ফুৰাই চালে। তিনি বাজিলেই। চাৰি বাজিলেই। চাৰি বাজিবলৈ এতিয়াও এঘন্টা বাকী মাক দেউতাক নাই যেতিয়া পৰীহতঁৰ ঘৰতে পৰীক লগ কৰিব পাৰিম। পৰীহঁতৰ ঘৰলৈ দেখোন যোৱাই নাই। কেনেকৈ ঘৰলৈ যাবলৈ সাহস কৰিম মাক যি গৰাকীহে। জীয়েকতকৈ এখোপ চৰা। দুৰতেই ৰাম ৰাম। মনতে বহু কল্পনা কৰি ৰাহুলে নতুনকৈ লোৱা বাইকখনেৰে একা-বেকাঁ ৰাস্তাৰে গৈ আছে পৰীহতঁৰ ঘৰৰ অভিমুখে। মৃদু স্বৰত বাজি আছে বহুতো ডেকা গাভৰুৰ মন প্ৰাণ উতলা কৰা কৃষ্ণমনি নাথৰ 'সপোনে দিঠকে দেখো তোমাকে প্ৰিয়া কাৰ বাবে ৰাখিছানো মৰমী হিয়া' এই গীতটি।

মুখ হাত ধুই ফ্ৰেছ হোৱাৰ মানসেৰে পৰী বাথৰুমত সোমাল। মাক তেতিয়া টোপনিত লালকাল।

গেটখন শব্দ নকৰাকৈ ৰাহুল সোমাই আহিল পৰীহঁতৰ ঘৰলৈ। চাৰিওফালে চকু ফুৰাই চালে আছাম টাইপৰ ঘৰ। সন্মুখত দেশী বিদেশী ফুলেৰে সজ্জিত ঠাইখন বৰ সুন্দৰ দেখিছে। সি নিজৰ ওপৰতে গৰ্ব অনুভৱ কৰিবলৈ ধৰিলে। সিয়ে হব এইখন ঘৰৰ একমাত্ৰ জোঁৱাই।

ছাৰপ্ৰাইজ এটা দিবৰ মনেৰে কলিং বেলত হাত নিদি অতি সাৱধানে সি দুৱাৰখন ঠেলি ভিতৰলৈ সোমাই গ'ল। পৰ্দাখন সামান্য ফাঁক কৰি দেখিলে পৰী শুই আছে। হয়তো সপোন ৰাজ্যত বিচৰণ কৰিছে। 'মই বাৰু কোন, তোমাৰে সোণ' বুলি হাত দুখন মেলি সাৱটি ধৰিলে অতি আলফুলে। হঠাৎ এখনি মুখে তাক ভুমিকম্পৰ জোঁকাৰনি তুলিলে। এইয়া দেখোন পৰীৰ মাক লীজা বৰুৱাহে। তাৰ সমস্ত দেহত ধুমুহা বলিবলৈ ধৰিলে জোৰেৰে। খু....উ....ব জোৰেৰে।

□□□

## “এটা নতুন দিনৰ প্ৰতিশ্ৰুতি”

ঋতু ফুকন
স্নাতক ষষ্ঠ ষাণ্মাষিক

নুশুনিও শুনিছোঁ নেদেখিও দেখিছোঁ
তোমাৰ দুচকুত এতিয়া সংশয়ৰ জল-মল কুঁৱলী
বুকুত বাজিছে সুৰ সাঁচতীয়া বিষাদ ৰাগিনী।
তুমিচোন ক'ব নোৱাৰাকে গাত মেৰিয়াই ললা
উৎসৱত নিপিন্ধা সাজ সোণালী।
দুঃসময় জানানে তুমি?
এতিয়া ক'ৰ পৰা কেনেকৈ আৰম্ভ কৰিছোঁ
তোমাৰ যাত্ৰা, কেনেকৈ সম্পৰ্ক গঢ়িছা
মাটিৰ পৰা মানুহলৈ
পশুৰ পৰা পক্ষীলৈ।
কেনেকৈ আৰম্ভ কৰিছা
তপ্ত মৰুৰ পৰা শীতল সমুদ্ৰলৈ।
তোমাৰ জীৱন পৰিক্ৰমা।
হালধীয়া হৈ আহিছে মোৰ দোকমোকালি
শুকান পাতৰ দৰে এটি এটিকৈ সৰি থাকিল
আলসুৱা সপোন মাধুৰী।
সেয়ে তোমাক বিসৰ্জন দিব খুজিছোঁ।
স্কুলৰ বতাহৰ সৈতে তুমি গুচি যোৱাগৈ।
অন্য লোকলৈ আৰু এটা নতুন দিনৰ
প্ৰতিশ্ৰুতিলৈ নামি আহক এজাক শীতল বৰষুণ
সুখৰ জুনুকা পিন্ধি তাৰেই প্ৰচ্ছায়াত
গছে মেলিব নতুন কুহিঁপাত
জীৱনে আদৰিব প্ৰেম
আৰু চৌপাশৰ অস্তিৰতা বিনাশী
বতাহে আনিব শান্তিৰ হেৰুৱা ঠিকনা।।

❑❑❑

## জীৱনৰ সংজ্ঞা

মণিদীপা লাহন
স্নাতক তৃতীয় ষাণ্মাষিক

জীৱন! সচাঁকৈয়ে সহজ নে বাৰু
ইয়াৰ সংজ্ঞা বিচাৰি পোৱাৰ,
আছেনেকি বিলীন হৈ নীল
সাগৰৰ জলৰাশিৰ লগত?
নে লুকাই আছে, বিশাল আকাশত
তিৰ্‌বিৰ্‌াই থকা তৰাৰ মাজত?
জীৱন মানে যেন এক অন্তহীন যাত্ৰা
য'ত লুকাই থাকে হাঁহি-কান্দোন
আৰু বহুতো..........
সুখ-দুখৰ ক'ত স্মৃতি আৰু কল্পনাৰ সৌধ
পাৰাপাৰহীন এই জীৱন
মুহূৰ্তৰ তৃপ্তি মুহূৰ্তৰ আশা
জীৱন এক অবুজ ভাষা।
তথাপিও ইমান হাবিয়াস কিয় বাৰু হয়
এই জীৱনক লৈ,
পাইছেনে বাৰু কোনোবাই,
জীৱন নামৰ এই শব্দৰ
সংজ্ঞা বিচাৰি!!

❑❑❑



## মানৱীয়তাৰ সন্ধানত

সমীৰণ বৰগোহাঁই
স্নাতক প্ৰথম ষাণ্মাষিক
অসমীয়া বিভাগ

আজিৰ পৃথিৱীত মানৱীয়তাৰ স্থান কত?
হয়তো ই চৰম পৰ্যায়ত।
মানৱৰূপী কিছুমান দানৱে
বাৰু ভৰিৰে মোহাৰি
নিঃ শেষ কৰা নাইনে মানৱতাক?

কি দোষ আছিল কাজিৰঙা বা
দুলুং অভয়াৰণ্যৰ
সেই বন্যজীৱ গঁড় বা হস্তীকুলৰ
যাৰ বাবে নিষ্ঠুৰভাৱে
জীৱন্তে কাটি নিয়া হ'ল
এই নিৰীহ প্ৰাণীৰ খড়গ, দাঁত
আদি শৰীৰৰ অংগ।

কি পাপ কৰিছিল
সেই নিস্পাপ দেৱশিশুটিয়ে
যাৰবাবে নিজ জন্মদাত্ৰীয়ে
তেঁওক পেলাই গ'ল ৰাস্তাৰ কাষত?
ক'ত হেৰাই গ'ল মাতৃত্বৰ মমতা,
চেনেহী আইৰ বুকুৰ উম।

নিজৰ পেটৰ সন্তানে বৃদ্ধাশ্ৰম বা
পথৰ দাঁতিত এৰি যোৱা
বৃদ্ধ-বৃদ্ধা সকলৰ জানো কিবা দোষ থাকে?
তেওঁ লোকে বুজি নাপায়
হিংসা বা প্ৰতিবাদৰ ভাষা,
প্ৰতিশোধৰ দাবানলে চুব
নোৱাৰে তেঁওলোকৰ অন্তৰ
এয়াই নেকি তেঁওলোকৰ ভুল?

দুটিমান ধনৰ লালসাত নিৰ্দয়ভাৱে
নিৰীহ জীৱক হত্যা কৰা
নিজৰ পাপ লুকুৱাবলৈ ভূমিষ্ঠ
হোৱা সন্তানক পথত এৰি যোৱা
পিতৃ-মাতৃৰ অকৃত্ৰিম
মৰমক তুচ্ছজ্ঞান কৰা,
এইসকল জনো মানুহ?
ইহঁতৰ অন্তৰত বাৰু আছেনে
মানৱতাবোধ?
আছেনে মৰম-ভালপোৱা, প্ৰেম,
দয়া-মমতা বা কৰুণাৰ
তিলমানো অস্তিত্ব?

এই সুন্দৰ পৃথিৱীত এইসকলে
বিয়পোৱা নাইনে
হত্যা-হিংসা আৰু অমানৱতাৰ বিষবাষ্প?
ক'ত পাম মই ইয়াৰ উত্তৰ,
দিবনে কোনোবাই
মোক ইয়াৰ সদোত্তৰ?

❑❑❑

# 'হেৰুৱাৰ পিছতো সপোন'

পঙ্কজ পচ্ছুগুঁী
স্নাতক পঞ্চম ষাণ্মাষিক

বতাহজাকে দিশ সলাইছে
দুগুণ উৎসাহেৰে উলাইছে
ডাৱৰত লুকাই পৰা জোনটি
মসৃন সপোন, কৰুণ হৃদয়ত
এতিয়া মাথো হাহিঁৰ টৌ.....
তোমাৰ বাবেই ঠেলা হেঁচা কৰি
ৰৈ আছে বুকুৰ উশাহে
ক'ম ক'ম বুলি ভবা আটকীয়া কথা।
তোমাৰ বুকুৰ আঁচল তিয়াই
শুই পৰিব মন গৈছে।
তোমাৰ স্পৰ্শৰ কোলাত
চিঞৰি চিঞৰি প্ৰেমৰ কবিতা গাই
কঁপাই তুলিব মন গৈছে
ৰাতিৰ আকাশ
সকলো সপোন হেৰুৱাৰ পিছতো
বাৰে বাৰে তোমাৰ প্ৰেমত পৰিছোঁ।

□□□

# কবিতা

মৌচুমী দেউঘৰীয়া
স্নাতক তৃতীয় ষাণ্মাষিক

প্ৰকৃতিৰ সৌন্দৰ্য উপভোগ কৰা
এটি মৌন মূহুৰ্তত
এছাটি শীতল সমীৰণে
মন প্ৰাঙ্গনত জগাই তোলে
কবিতাৰ এক সুস্থ আলোড়ন
হৃদয়ৰ সুপ্ত কোণত
গুজৰি গুমৰি উঠে
কবিতাৰ গভীৰ আসক্তি।
কবিতা, কাক লৈ লিখিম?
মানৱতাক লৈ নে ...........
প্ৰকৃতিৰ অপৰূপ
জ্যোতিক সুৰঁৰি।
পল-অনুপল কৰি
পাৰ কৰিছোঁ সময়।
নতুনৰ চাকনৈয়াই খহাই দিছে আশা।
আজিকালি সময়বোৰ যে দুঃসময়
বৰ্তমানবোৰ অবৰ্তমান
তথাপিও মই কামনা কৰিছোঁ
সৰলতা পবিত্ৰতা আৰু স্নিগ্ধতাৰ
জোনালী পাখিত ভাঁহি আহক
নতুন দিন।

□□□



# বৰষুণ

বিষ্ণুপ্ৰিয়া তামুলী
স্নাতক তৃতীয় ষাণ্মাষিক
অসমীয়া বিভাগ

ব্যস্ত জীৱন, ব্যস্ত পৃথিৱী, ব্যস্ত প্ৰকৃতি
গৰমৰ একোণত ওতিয়া যেন
সকলো ছাঁই হ'ব।
নিস্তেজিত প্ৰকৃতি কেৱল মাথো যেন
লুকাব নোৱাৰাৰ বেদনাহে মৰহি আছে-
হঠাৎ আকাশৰ পৰা খহি পৰিল
দুটামান ডাৱৰৰ সূক্ষ্ম চপৰা
সাৰ পাই সতেজ হৈ পৰিল
সেউজী পৃথিৱীখন.........
এয়া কি জানা
যাৰ কোমল পৰশে
নৱনীত কৰিলে সেউজীৰ বুকু
এয়াই হৈছে চাৰিটা মিঠা শব্দ
এয়াই এক মধুৰ অনুভৱ
বৰষুণ...... বৰষুণ...... বৰষুণ......।

□□□

# আলোক সন্ধানী

ভাস্কৰজ্যোতি ফুকন
তৃতীয় ষাণ্মাষিক

আলোক সন্ধানী যাত্ৰী আমি
আগবাঢ়ো জোনাকী বাটত
আন্ধাৰ আতৰাই
ধৰা পোহৰাবলৈ।
আশা ভৰা সপোনলৈ
সন্মুখলৈ মূৰ তুলি চাওঁ
মহা মহা জীৱনাদৰ্শৰে
আলোকি মন প্ৰাণ।
কৃতি ভৰা আদৰ্শৰে
আগবাঢ়োঁ আমি
সততাৰে, বিশ্বাসেৰে
জীৱন গঢ়াৰ আমাৰ প্ৰয়াস।
সুন্দৰৰ সাধনাৰে সৃষ্টিৰ কঠীয়াতলিৰ
ৰোপন কৰি বীজ
মানৱতাৰ পম খেদি
সংকল্প লওঁ
এক সমাজ গঢ়াৰ।

□□□

# অতীতক সুৱঁৰি

প্ৰীতিৰেখা দত্ত
স্নাতক ষষ্ঠ ষাণ্মাষিক

হঠাৎ আজি ইমান ডাঙৰ হ'লো
আচৰিত যেন লাগে
নিজকে স্নাতক মহলাৰ ছাত্ৰী বুলি ক'লে?
মনত দেখুন আছেই!
সৰুকালৰ সেই মধুৰ স্মৃতিবোৰ
নাচোনৰ ভংগীৰে চাৰে শিকোৱা
স্বৰ আৰু ব্যঞ্জন বৰ্ণৰ লগতে সেই কল্পবোৰ
সৰু সৰু দুষ্টালিবোৰৰ বাবে
অভিমানৰ সুৰত দিয়া
দেউতাৰ সেই কাণচেপাবোৰ।
আনন্দত আত্মহাৰা হৈ খেল-ধেমালিৰ
মাজেৰে পাৰ কৰা জীৱনৰ সেই
চিন্তাহীন কালছোৱা। নাই য'ত দুখ-ক্লেশ, চিন্তা-ভাৱনা।
ব্যস্ত মাথো নিজকে লৈ।
নাই য'ত ল'ৰা-ছোৱালীৰ পাৰ্থক্য।
দিনটোৰ অৱশ শৰীৰে জিৰণী লৈ
ৰাতি হ'লে টোপনিৰ কোলাত।
স্নেহেৰে বুলোৱা মাৰ সেই দুখনি হাতৰ পৰশত
পাহৰি যাওঁ আগদিনাৰ সেই ভাগৰ-এলাহ।
ক'ত হেৰাল বাৰু মোৰ সেই মতলীয়া মনটো?
পুনৰ বাৰু আহিবনে ঘুৰি!
স্মৃতিৰ গৰ্ভত লীন হৈ যোৱা
সেই মধুৰ স্মৃতিবোৰ।।

□□□



# বন্ধু তোমালৈ বুলি এখন চিঠি

বন্দনা গগৈ
স্নাতক তৃতীয় ষাণ্মাষিক
অসমীয়া বিভাগ

আজি আকৌ আহিল পিয়ন
দিলে মোৰ হাতত গুজি
এখন নীলা খামৰ চিঠি,
কিন্তু নাছিল দেখোন তাত
তোমাৰ হাতৰ আখৰ
দিয়া নাই মানে আজিও তুমি
মোৰ চিঠিৰ প্ৰত্যুত্তৰ।

কিয় বন্ধু, কিয় বেয়া পোৱা
তুমি চিঠি লিখিবলৈ
এবাৰো মন নাযায় নেকি?
চিঠিৰ সেই নীলা খামটোৰ মাজত
তোমাৰ ডুব যাবলৈ

বন্ধু, একেলগে আছিলোঁ আমি
এদিন আঁতৰি গলো কাষৰ পৰা
সময়ৰ নিষ্ঠুৰ তাগিদা মানি।
মই সকলো জানো বন্ধু,
তুমি যে এতিয়া যান্ত্ৰিকতাৰ মাজত
নকৰা সময় নষ্ট তুমি

কাৰোবালৈ চিঠি লিখাৰ নামত
নপৰা তুমি কেতিয়াওঁ
চিঠিৰ মায়াময় আখৰৰ তুমুল প্ৰেমত।
বন্ধু, যান্ত্ৰিকতাৰ হেঁচাত তুমি

নিজকে পাহৰি নাযাবা,
বৰ্তমানত থিতাপি লৈয়ে তুমি
এবাৰ অতীতলৈ ঘূৰি চাবা।

মই বৈ থাকিম বন্ধু,
তোমাৰ সহাঁৰিৰ আশাত
মই কৰিম সদায় প্ৰাৰ্থনা
তোমাৰ কামনাত

বন্ধু, তোমলৈ মোৰ এই শেষ চিঠি
আমাৰ নিবিড় বন্ধুত্বৰ নামত
আশা কৰিছোঁ ৰাখিবা সদায়
আমাৰ এই বন্ধুত্বক মনত।।

□□□

## সেউজীয়া সপোন

বিদ্যুত বিকাশ চেতিয়া
স্নাতক ষষ্ঠ ষাণ্মাষিক

মোৰ এটা সপোন আছে,
য'ত থাকিব এখন সেউজীয়া পথাৰ
আইৰ আচলৰ আঁৰত
লুকাই পোৱা আলু, সতে,
পইতা ভাঁতৰ এগৰাহ খাম তৃপ্তিৰে।।
ৰংমন, ৰঙাই ৰাংঢালী হ্‌তঁৰ লগত,
গাম সোণোৱালী শইচৰ গান।
শাওনৰ জুই ৰঙা বেলিৰ তাপত,
যেতিয়া পথাৰ আলি বান্ধিম।
ৰূপহীহতঁৰ হাঁহিৰে
মুখৰিত হব ৰূপহী পথাৰ।।
জীৱন হব বৰষাৰে সিক্ত মধুৰ
য'ত আলফুলে ফুলি ৰব,
মোৰ হৃদয়ৰ এপাহি ৰক্তজবা।

□□□

## বসন্তৰ সুবাস

শ্ৰীমতী কেশৰী ভূঞা
স্নাতক চতুৰ্থ ষাণ্মাষিক

হে ঋতুৰাজ বসন্ত
আকৌ আহিলা তুমি
এই বিনন্দীয়া ধৰালৈ
কপৌ, কেতেকী, তগৰৰ সুগন্ধী সুবাস লৈ
ৰিব্ ৰিব্ মলয়াৰ বা লগত লৈ
আকৌ আহিলা তুমি
দুৰত সৌৱা উখল মাখল
ঢোল পেঁপাৰ মাত
প্ৰস্তুতি আটাইৰে ব'হাগক আদৰিবলৈ
আকৌ আহিলা তুমি
গৃহস্থৰ চোতালত হুচৰিৰে
মাগিছে আটাইয়ে আৰ্শীবাদ
আই বসুমতিৰ পৰা
আকৌ আহিলা তুমি
যাবাগৈ আকৌ গ্ৰীষ্মক
তোমাৰ আসন এৰি
লৈ ঋতুৰাজ।

□□□



## বিদায়ৰ অনুভৱ

শ্ৰীমতী জুৰি ভূঞা
স্নাতক ষষ্ঠ ষাণ্মাষিক

ডাঠকৈ পৰি আহিছে কুঁৱলী
আৰু উশাহবোৰ হৈ পৰিছে ঘন,
চকুৰেদি বৈ আহিছে
দুটোপাল তপত অশ্ৰু
যি অশ্ৰুৱে নুমুৱাব খুজিছে
টিমিক- টামাককৈ জ্বলি থকা
চাকিৰ শিখা
বিদায়ৰ মৌন বেলাত
থমকি ৰৈছোঁ এখন্তেক মই
স্তব্দ হৈ পৰিছে যেন মোৰ খোজৰ গতি।
তথাপি আশা কৰোঁ..........
লুইতৰ বিশাল জলৰাশিৰ দৰে
মোৰ বুকুৰ মাজলৈ
সদায় যেন বৈ থকা তৰংগিনৰ দৰে
গভীৰৰ পৰা গভীৰতালৈ........।

□□□

## আঘোনৰ পথাৰখনি

সোণমনি পগাগ
স্নাতক তৃতীয় ষাণ্মাষিক
অসমীয়া বিভাগ

আঘোনৰ পথাৰখনিত
সোণগুটিৰ হাঁহি
বৰ্ষাৰ শেষত শৰৎ আহে
ফুলে শেৱালি পাহি
পুৱাৰ কুঁৱলী সনা
সূৰুযৰ মিচিকনিয়ে
আঘোনৰ পথাৰখনি কৰিলে সোণোৱালী
হে অনন্যা সুন্দৰী
সেউজী ওৰণি লৈ, নিয়ৰৰ মুকুতা পিন্ধি
হ'ল ৰূপালী
আঘোনৰ পথাৰ হ'ল শুৱনি
বাৰিষাৰ পংকিলতা আঁতৰাই
দিলেহি সপোন গুজি
আঘোনৰ পথাৰ হ'ল শুৱনি।

□□□

# এটা হেৰুৱা সপোন

কস্তুৰী দত্ত
চতুৰ্থ ষান্মাষিক
অসমীয়া বিভাগ

হেৰাই যোৱা এটি স্বপ্ন,
সুগন্ধি আছিল
শৰতৰ শেৱালিৰ দৰে
মধুৰ আছিল,
পূৰ্ণিমা জোনাকৰ দৰে।
স্বপ্ন আখৰা আছিল
শিমলু তুলাৰ দৰে,
গছত ফুলি থকা
হঠাৎ কাল ফাঁটি,
উৰি আহিছিল, উৰাই লৈ গৈছিল
পশ্চিমৰ বতাহ জাকে
হেৰাই গৈছিল অসীমত।
বিচাৰি ফুৰিছিল, যাৰ গৰ্ভ ফালি ওলাই আহিছিল
চিঞৰিছিল! বৃক্ষ তুমি মোক উঠাই দিয়া
মই পৰি গলো!!
সি হেৰাই যোৱা অসীমত
বৃক্ষ আছিল অনন্ত।
এইয়াই আছিল মোৰ
হেৰাই যোৱা স্বপ্ন।

❑❑❑

## অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয় আৰু
## 'অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, অসমীয়া বিভাগ,
## সোণাৰি মহাবিদ্যালয়'ৰ ২০১৪ বৰ্ষৰ বিভিন্ন উপ-সমিতি

SONARI COLLEGE LIBRARY
Estd. 1970

**১) অসমীয়া বিভাগৰ কেন্দ্ৰীয় সমিতি ঃ**

১) প্ৰথম যাণ্মাষিকৰ অধিনায়ক ঃ দীপজ্যোতি প্ৰধান

২) তৃতীয় যাণ্মাষিকৰ অধিনায়ক ঃ সমীৰণ বৰগোঁহাই

৩) পঞ্চম যাণ্মাষিকৰ অধিনায়ক ঃ দীপাঙ্কৰ গগৈ।

**২) 'আধাৰ'**

(গৱেষণা-বিদ্যায়তনিক-সৃজনীমূলক বাৰ্ষিক পত্ৰিকা)

সম্পাদিকা ঃ সোণমণি পগাগ

সদস্য/ সদস্যা ঃ কৃতী চাংমাই, ভাস্কৰজ্যোতি ফুকন, চন্দ্ৰিকা কোঁৱৰ।

**৩) 'সাহিত্যম্'**

(প্ৰাচীৰ পত্ৰিকা)

দম্পাদিকা ঃ মণিদীপা লাহন

সদস্য/সদস্যা ঃ ববিতা কোঁৱৰ, ভাস্কৰ চাংমাই, মৌচুমী বৰুৱা, কাশ্মিৰী গগৈ, অভিজিৎ বৰুৱা, দীপশিখা বৰা, গীতাঞ্জলী বৰা।

**৪) 'আজিৰ লেখা'**

(দৈনিক আলোচনী)

সম্পাদক ঃ হিমাংশু ৰঞ্জন বৰা

সদস্য/সদস্যা ঃ সুস্মিতা কৰ্মকাৰ, বনশ্ৰী গগৈ, লক্ষীচন্দ্ৰ দাস, লভিতা হাজৰিকা, হীৰেণ বৰগোঁহাই, দিগন্ত কলিতা।

**৫) 'বতৰা'**

(সাময়িক বা-বাতৰিৰ পত্ৰিকা)

সম্পাদক মণ্ডলী ঃ কস্তুৰী দত্ত, কেশৰী ভূঞা, মৌচুমী দেওঘৰীয়া।

সদস্য/সদস্যা ঃ জিন্টু হাজৰিকা, দীপাঙ্কৰ দত্ত, দীপজ্যোতি গগৈ, দীপজ্যোতি দত্ত, অমৃত বৰা, নিতু চাংমাই, দময়ন্তী তাঁতী।

**প্ৰস্তাৱ গ্ৰহণ ঃ**

আজি ০৪/০৮/২০১৪ তাৰিখৰ বাৰ্ষিক সভাই 'অসমীয়া বিভাগ অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ'ৰ নাম 'অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ', অসমীয়া বিভাগ সোণাৰি মহাবিদ্যালয় ৰখা হ'ল।

*Printed at : Eastern Offset Printers, Sonari*